C M Y K

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত


*সামাজিক দায়বদ্ধতাত অবিচল*

www.dainikagradoot.in

## দিগ্‌দৰ্শন

*জীৱনৰ সংগীজনে আপোনাক সম্পূৰ্ণ কৰি নোতোলে। তেওঁ সেইজন যিয়ে নিজকে সম্পূৰ্ণ কৰি তুলিবলৈ আপোনাক প্ৰেৰণা যোগায়।*

বিয়াংকা স্পাৰাচিন'
*কানাডাৰ লেখিকা*



৭ কিষাণ ইউনিয়নৰ পৰা বহিষ্কৃত ৰাকেশ টিকাইত
১৫ এফএ কাপ দখল লিভাৰপুলৰ
৪ মৌলিক বিজ্ঞান আজি পথভ্ৰষ্ট

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১৫তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৬ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 16 May 2022 মূল্য ঃ ৯.০০ টকা




■ অসমত উৎপাদিত আলু মধ্যভোগীৰ জৰিয়তে বহিঃৰাজ্যলৈ ■ সৰ্বাধিক ধন যায় উত্তৰ প্ৰদেশ-পশ্চিমবংগলৈ ■ শীতল ভঁৰালৰ অভাৱত পথাৰৰ পৰাই কৃষকে উৎপাদিত ফচল দিয়ে এজেণ্টক

# বছৰি আলু আমদানিত ৪,৫০০ কোটি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ মে' ঃ** কেৱল আলু আমদানিৰ বাবদ প্ৰতি বছৰে অসমে কমেও ৪,৫০০ কোটি টকা ব্যয় কৰিবলগীয়া হৈছে। ৰাজ্য চৰকাৰৰ এক পৰিসংখ্যাতে পোহৰলৈ আহিছে এই তথ্য। ইয়াৰে আটাইতকৈ বেছি পৰিমাণৰ ধন উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগৰ ব্যৱসায়ীয়ে লাভ কৰে। এটা অংশ লাভ কৰে মেঘালয়ে। অৱশ্যে মেঘালয়লৈ যোৱা ধনৰ পৰিমাণ উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগৰ তুলনাত যথেষ্ট কম। অসমক দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ এখন ৰূপে প্ৰতিষ্ঠাৰ লক্ষ্য ঘোষণা কৰাৰ লগতে কৃষিখণ্ডত আত্মনিৰ্ভৰশীলতা গঢ়াৰো আঁচনি গ্ৰহণ কৰা হৈছে। কিয়নো ৰাজ্যখনৰ ৭০ শতাংশ লোক কৃষিজীৱী। গতিকে সঠিক পৰিকল্পনাৰে অসমে কৃষি আত্মনিৰ্ভৰশীলতা অৰ্জনৰ সম্ভাৱনা বহন কৰিছে। অসমত খাদ্য হিচাপে আলুৰ ব্যৱহাৰ প্ৰচুৰ পৰিমাণে হয়। ৰাজ্যখনত বছৰি প্ৰয়োজন হোৱা আলুৰ পৰিমাণ প্ৰায় ৪০ লাখ মেট্ৰিকটন। অসমতো প্ৰচুৰ পৰিমাণে আলু উৎপাদন হয় যদিও উৎপাদিত আলুৱে ৰাজ্যখনৰ চাহিদাৰ ন্যূনতম এটা অংশহে পূৰণ কৰিবলৈ সক্ষম হৈছে। ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ তথ্য অনুসৰি, অসমত বছৰি আলু উৎপাদন হয় ১১ লাখ মেট্ৰিকটন। এই প্ৰসংগতে কৃষি আৰু *১০ পৃষ্ঠাত চাওক*

## কঁপি উঠে কিয় তাজমহল!

■ প্ৰাঞ্জলসেন ডেকা

**অভাৱনীয়** মূল্যবৃদ্ধি, কৰ্মসংস্থাপনহীনতা, গভীৰ আৰ্থিক সংকট আদিৰে পদে পদে অনিশ্চয়তাত ভুগি থকা দেশবাসীৰ সন্মুখত সম্প্ৰতি এনে কেতবোৰ বিতৰ্কৰ সূত্ৰপাত ঘটোৱা হৈছে, যিবোৰে আমাৰ মূল লক্ষ্য কি হোৱা উচিত তাক লৈয়ে বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। এই কথা ইতিমধ্যে বহুবাৰ কোৱা হৈছে যে অধোগামী ভাৰতীয় অৰ্থনীতিক কৰ'না মহামাৰীয়ে মাধমাৰ শোধাই বিপৰ্যস্ত কৰি পেলাইছে। কেন্দ্ৰীয় চৰকাৰৰ ভুল নীতিৰ বাবেই দেশৰ অৰ্থনীতি ক্ষতিগ্ৰস্ত হোৱা বুলি অৰ্থনীতিবিদসকলৰ লগতে একাংশ *১০ পৃষ্ঠাত চাওক*



১৪বাৰৰ চেম্পিয়ন ইণ্ডোনেছিয়াৰ বিপক্ষে নিৰংকুশ জয় ফাইনেলত

# বেডমিণ্টনত ইতিহাস সৃষ্টিৰে বিশ্বকাপ সদৃশ থমাছ কাপত জয় ভাৰতৰ

■ এক কোটিকৈ প্ৰদানৰ ঘোষণা ক্ৰীড়া মন্ত্ৰণালয়-ভাৰতীয় বেডমিণ্টন সংস্থাৰ
■ অভিনন্দন বাণীৰে উপচাই দিলে ৰাষ্ট্ৰপ্ৰতি-প্ৰধানমন্ত্ৰীকে ধৰি বিভিন্নজনে
■ ষ্টেডিয়ামত 'ভাৰত মাতা কি জয়' ধ্বনি শুনি শিহৰণ জাগিছিল ঃ হিমন্ত বিশ্ব

**■ নিউজ ব্যুৰ'**

**বেংকক, ১৫ মে' ঃ** বেডমিণ্টনৰ দলীয় বিভাগত সৰ্বকালৰ শ্ৰেষ্ঠ সফলতা অৰ্জন কৰি নতুন ইতিহাস ৰচিলে ভাৰতৰ পুৰুষ দলে। দলীয় বেডমিণ্টনৰ বিশ্বকাপ সদৃশ থমাছ কাপত প্ৰথমবাৰলৈ বিজয়মাল্য পিন্ধিলে ভাৰতীয় দলে। বেংককত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজিৰ ফাইনেলত ভাৰতীয় দলে ১৪বাৰৰ চেম্পিয়ন ইণ্ডোনেছিয়াৰ বিপক্ষে ৩-০ ব্যৱধানৰ নিৰংকুশ বিজয় সাব্যস্ত কৰে। ভাৰতীয় খেলুৱৈসকলৰ উজ্জীৱিত প্ৰদৰ্শনৰ সন্মুখত বিশেষ মোকাবিলা কৰিবলৈ সক্ষম নহ'ল দলীয় বেডমিণ্টনৰ অন্যতম শীৰ্ষ দল তথা যোৱাবাৰৰ খিতাপ জয়ী ইণ্ডোনেছিয়াই। ফাইনেলত সম্পূৰ্ণ আধিপত্য বিস্তাৰ কৰি ভাৰতে প্ৰতিযোগিতাখনত *১০ পৃষ্ঠাত চাওক*

■ বৈধ ব্যৱসায়ক অবৈধ কৰিবলৈ আৰক্ষীৰ হেঁচা ■ বৈধ নথিপত্ৰ থকা সত্ত্বেও ঘোচ নিদিয়া বাবেই জব্দ কৰাৰ অভিযোগ ■ কাছাৰ জিলা আৰক্ষীৰ ভুলত নষ্ট ৩০ লাখ টকাৰ চুপাৰি

# আদালততে উন্মোচিত আৰক্ষীৰ ষড়যন্ত্ৰ



■ ভুক্তভোগীৰ ক্ষোভ ঃ ক্ষতিপূৰণ বিচাৰি আদালতলৈ যাম ■ আদালতৰ নিৰ্দেশত মুকলি কৰিবলৈ বাধ্য হ'ল চুপাৰিৰ ট্ৰাক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ মে' ঃ** ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাটোৰ পৰা দুৰ্নীতি নিৰ্মূলত অসম চৰকাৰে যথেষ্ট সফলতা লাভ কৰিছে বুলি যিমানেই দাবী নকৰক কিয়, একাংশ আৰক্ষী বিষয়াই যেন এনে দাবীক ভুল প্ৰতিপন্ন কৰিবলৈ উঠিপৰি লাগিছে। বিশেষকৈ, শেহতীয়াকৈ আমদানি-ৰপ্তানিৰ স'তে জড়িত বৈধ ব্যৱসায়ীসকলক মধ্যভোগী দালালৰ সহযোগত একাংশ আৰক্ষী বিষয়াই বৈধ পথ পৰিহাৰ কৰি অবৈধ প্ৰক্ৰিয়াৰে ব্যৱসায় অব্যাহত ৰাখিবলৈ হেঁচা প্ৰয়োগ কৰাৰো অভিযোগ উত্থাপন হৈছে। কিয়নো, কোনো ব্যৱসায়ীয়ে বৈধভাৱে আমদানি কৰা সামগ্ৰীৰ বিপৰীতে শুল্ক বিভাগৰ যাৱতীয় নথিপত্ৰ সংগ্ৰহ কৰাৰ লগতে সামগ্ৰী আৰু সেৱাকৰৰ মাচুল আদায় দি ব্যৱসায় কৰিলে আৰক্ষী বিষয়াই গুণ্ডাকৰ আদায়ৰ পথ হেৰুওৱাৰ ফলত অযথা হাৰাশাস্তি কৰাৰো *১০ পৃষ্ঠাত চাওক*

## বৰষুণৰ ফলত মহানগৰীৰ কৃষ্ণনগৰত খহিল গাৰ্ডৱাল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ মে'** বিগত কেইবাদিন হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত মহানগৰীৰ বিভিন্ন স্থানত সৃষ্টি হৈছে কৃত্ৰিম বান। এই কৃত্ৰিম বানৰ লগতে বিভিন্ন ঠাইত খহনীয়াও সৃষ্টি হৈছে। যোৱা নিশা মহানগৰীৰ চান্দমাৰিৰ কৃষ্ণনগৰত খহি পৰে এখন গাৰ্ডৱাল। অসম অভিযান্ত্ৰিক *১০ পৃষ্ঠাত চাওক*

■ লামডিং-শিলচৰ-বদৰপুৰ ৰেল সেৱা বাতিল ঃ ভূমিস্খলনত নিহত দুজনৰ মৃতদেহ উদ্ধাৰ

■ কপিলীৰ পানীয়ে বুৰালে হোজাইৰ ৪৪ খন গাঁও ■ আঠটাকৈ আশ্ৰয় শিবিৰত দুই শতাধিক পৰিয়াল ■ জটিল ৰূপ ডিমা হাছাও-কাৰ্বি আংলং জিলাত ■ ৰেল ষ্টেছনত ছদিনে আবদ্ধ যাত্ৰী ■ বন্ধ হ'ল মাজুলী-নিমাতীঘাটৰ ফেৰী সেৱা ■ মুছলপুৰত বানত ভাঙিল দলং ■ তেজপুৰ-বালিপৰাত ছিঙিল পথ

# নেৰানেপেৰা বৰষুণত উফন্দি উঠিছে নৈ-উপনৈ ঃ বিস্তীৰ্ণ অঞ্চল প্লাবিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ মে' ঃ** বছৰৰ প্ৰথমটো বানত ডুবিছে ৰাজ্যৰ ইখনৰ পাছত সিখনকৈ গাঁও। বানে উটুৱাই নিছে ইখনৰ পাছত সিখনকৈ দলং তথা পথ। উল্লেখ্য যে বিগত কে'বাদিন ধৰি হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ লগতে ইয়াৰ উপনৈসমূহ ফেনে ফোটোকাৰে বাঢ়ি আহিছে। কালি ডিমা হাছাওত বৰষুণৰ সমান্তৰালকৈ ভূমিস্খলনৰ লগতে বাঢ়নী পানীত বিস্তীৰ্ণ অঞ্চল বুৰ যোৱাৰ বিপৰীতে নগাঁও-কাৰ্বি আংলং জিলাৰ *দুই পৃষ্ঠাত চাওক*



## পিতৃক হত্যাৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল ভ্ৰাতৃ-ভগ্নী

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৫ মে'ঃ** হোজাই জিলাৰ মোৱাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত বৌৱাৰপাৰত মাতৃৰ প্ৰৰোচনাত পিতৃক হত্যা কৰা ঘটনাত জড়িত তিনি ভ্ৰাতৃ-ভগ্নীক মাতৃসহ আজি আৰক্ষীয়ে নগালেণ্ডৰ ডিমাপুৰৰ পৰা গ্ৰেপ্তাৰ কৰে। পৈত্ৰিক সম্পত্তিৰ বাবেই *১০ পৃষ্ঠাত চাওক*

## ডলু বাগিচাৰ উচ্ছেদৰ তীব্ৰ প্ৰতিবাদ আদিবাসী ছাত্ৰ সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৫ মে' ঃ** নেৰানেপেৰা বৰষুণৰ মাজতে আজি বাগ্‌সাৰ শালবাৰীৰ বাঁহবাৰীত আদিবাসী ছাত্ৰ সন্থাই চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৱৰ্তী শালবাৰীৰ ফাতেমাবাদ চাহ বাগিচাত কাছাৰৰ *১০ পৃষ্ঠাত চাওক*

■ বিসম্বাদী শিবিৰৰ প্ৰস্তাৱ প্ৰত্যাখান কৰি চিন্তন বৈঠকত সাংগঠনিক সালসলনি ■ জনতাৰে পুনৰ সংযোগৰ বাবে ভাৰত সংযোগ যাত্ৰা

# এক ব্যক্তি এক পদ-এক পৰিয়াল এক টিকট নীতিত মোহৰ কংগ্ৰেছৰ

**■ নিউজ ব্যুৰ'**

**উদয়পুৰ, ১৫ মে' ঃ** ভংগুৰ সম্পৰ্ক পুনৰ স্থাপনৰ অংগীকাৰ আৰু একাধিক সালসলনিৰে আজি অন্ত পৰিল নিখিল ভাৰত কংগ্ৰেছৰ চিন্তন শিবিৰৰ। অৱশ্যে বিসম্বাদী শিবিৰৰ মূল দাবীক এই বৈঠকে নস্যাৎ কৰাত দলীয় অন্তৰ্কলহ প্ৰকৃতাৰ্থত কিমানদূৰ নিৰাময় হ'ব সেই প্ৰশ্ন থাকি গ'ল। চৰ্চা অনুসৰি দলৰ মুৰব্বীৰ ক্ষমতা কৰ্তনৰ আশংকাতে গ্ৰহণ কৰা নহ'ল বিসম্বাদীৰ প্ৰস্তাৱ। ৰাজস্থানৰ উদয়পুৰত অনুষ্ঠিত হোৱা চিন্তন শিবিৰত দলৰ সৰ্বোচ্চ ক্ষমতাশালী কংগ্ৰেছ ৱৰ্কিং কমিটী (চিডব্লিউচি)য়ে এক ব্যক্তি *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ২৩° |
| ডিব্ৰুগড় | ২৪° | ২২° |
| দিল্লী | ৪৫° | ৩৩° |
| কলকাতা | ৩৪° | ২৯° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৯° | ২১° |
| শ্বিলং | ২২° | ১৮° |

*১৫ মে', ২০২২*

■ ত্ৰিপুৰাৰ নতুন মুখ্যমন্ত্ৰীৰূপে শপত ল'লে আন এজন মাণিকে


# এটা সমীক্ষাত অৱসান ঘটিল বিপ্লৱৰ



**■ নিউজ ব্যুৰ'**

**আগৰতলা, ১৫ মে' ঃ** বিপ্লৱ দেৱে কালি মুখ্যমন্ত্ৰী পদ ত্যাগ কৰাৰ ২৪ ঘণ্টাৰ ভিতৰতে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীৰূপে শপত ল'লে মাণিক সাহাই। বিজেপিৰ ৰাজ্যসভাৰ সাংসদ সাহা হ'ল ত্ৰিপুৰাৰ একাদশ সংখ্যক মুখ্যমন্ত্ৰী। আজি পুৱা ত্ৰিপুৰা ৰাজভৱনত ৰাজ্যপাল সত্যদেও নাৰায়ণ আচাৰ্যৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰি তেওঁ কয়, 'ৰাজ্যৰ মানুহৰ বাবে প্ৰাণ দি কাম কৰাৰ শপত ল'লো।' ২০১৬ত কংগ্ৰেছ *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*আমাৰ ফালেও পদ ধূলি পেলাব কেতিয়াবা, তেহে যদি বাট-পথ উন্নত হয়!*

কে'বা লাখ খৰচ কৰি পুনৰ নতুন পাৰ্ক নিৰ্মাণ ■ হুলস্থূল হয় বাবে বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ

# বন্ধ হ'ল কলাক্ষেত্ৰৰ 'ৰং ধেমালি ক্ষেত্ৰ' উদ্যান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ মে' ঃ** মহানগৰীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সম্প্ৰতি চলি আছে নতুন নতুন পাৰ্ক নিৰ্মাণৰ পৰীক্ষা-নিৰীক্ষা। কিয়নো, ২০১৮ত নিৰ্মাণ সম্পূৰ্ণ কৰি আৰম্ভ কৰা 'ৰং ধেমালি ক্ষেত্ৰ'খনক এতিয়া সম্পূৰ্ণৰূপে বন্ধ ঘোষণা কৰি নতুনকৈ মূল ক্ষেত্ৰৰ প্ৰাংগণত আন এখন পাৰ্ক নিৰ্মাণ কৰি কৰ্তৃপক্ষই একপ্ৰকাৰ চমক সৃষ্টি কৰিছে। কলাক্ষেত্ৰ কৰ্তৃপক্ষৰ এনে পৰীক্ষা-নিৰীক্ষাত ব্যয় হৈছে লাখ লাখ টকা। উল্লেখ্য যে কে'বা লাখ টকা খৰচ কৰি নিৰ্মাণ কৰি উলিওৱা 'ৰং-ধেমালি ক্ষেত্ৰ'খনক ২০১৮ৰ দুই জুলাইত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উপ-সভাপতি *১০ পৃষ্ঠাত চাওক*



অচিৰেই পাঁচ হেজাৰ পদৰ পৰীক্ষাৰ ফলাফল ঘোষণা ঃ ৪১৪ প্ৰাৰ্থীৰ বিৰুদ্ধে চিআইডিত গোচৰ

# আলফা (স্বাঃ)ত যোগদানৰ সন্দৰ্ভত ডিজিপি ঃ 'আহিছে মানুহে গৈছে মানুহ...'



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ মে' ঃ** অতি কম দিনৰ ভিতৰতে অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু কনিষ্টবল পদৰ পাঁচ হেজাৰ খালী পদৰ বিপৰীতে অনুষ্ঠিত হৈ যোৱা পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। মহানগৰীৰ উলুবাৰীস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আজি এক সংবাদমেলত এই কথা সদৰী কৰে আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই। অৱশ্যে মহন্তই লগতে কয় যে যিহেতুকে কিছু কিছু পদৰ বিপৰীতে শাৰীৰিক পৰীক্ষাৰ লগতে কিছু আনুষ্ঠানিকতা বাকী আছে আৰু শেহতীয়া প্ৰাকৃতিক দুৰ্যোগৰ ফলত ডিমা হাছাও *আঠ পৃষ্ঠাত চাওক*

## নিজগৃহতে চিপজৰী ল'লে খাৰুপেটীয়াৰ আইনৰ ছাত্ৰীয়ে

প্ৰেমজনিত কাৰণত আত্মহত্যা কৰাৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১৫ মে' ঃ** দৰঙৰ খাৰুপেটীয়া নগৰৰ মাজমজিয়াৰ সাত নম্বৰ ৱাৰ্ডত এগৰাকী আইনৰ ছাত্ৰীয়ে নিজগৃহতে চিপ লৈ আত্মহত্যা কৰে। খাৰুপেটীয়াৰ ব্যৱসায়ী উত্তম ঘোষৰ গুৱাহাটীত আইন মহাবিদ্যালয়ত অধ্যয়নৰতা কন্যা উৰ্মিলা ঘোষে কালি সন্ধিয়া নিজগৃহৰ চিলিং ফেনত উৰ্ণাৰে চিপ লৈ আত্মহত্যা *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৬ মে' ২০২২


## বিৱৰ্তনৰেই ৰূপ

**জীৱ** বিজ্ঞানী চাৰ্লছ ডাৰউইনৰ বিখ্যাত বিৱৰ্তন তত্ত্ব অনুসৰি পৃথিৱীৰ সকলো প্ৰাণীৰ সৃষ্টি বিৱৰ্তনৰ মাজেদি হৈছে। ক্ষুদ্ৰতম এক কোষী জীৱৰ পৰা বৃহৎ আৰু ভয়ংকৰ ডাইন'ছৰ, মেমথ, তিমি মাছ, হাতী আৰু মানুহলৈকে সকলো সৰু-বৰ প্ৰাণীয়েই বিৱৰ্তনৰ মাজেৰে সৃষ্টি হৈছে। উদাহৰণস্বৰূপে হাতী এটা হাতীৰ ৰূপতে পৃথিৱীলৈ অহা নাই। অন্যান্য প্ৰাণীৰ বিৱৰ্তনৰ মাজেদি লাখ লাখ বছৰৰ পাছত হাতীৰ ৰূপ পাইছে। সেইদৰে মানৱ প্ৰজাতিয়ে লাখ লাখ বছৰৰ বিৱৰ্তনৰ মাজেৰে আহি আধুনিক মানৱৰ ৰূপ পাইছে। বিজ্ঞানীসকলে লাভ কৰা প্ৰমাণৰ পৰা স্পষ্টভাৱে ক'ব পৰা যায় যে বান্দৰ জাতীয় কিছুমান প্ৰাণীৰ পৰাই লাখ লাখ বছৰৰ বিৱৰ্তনৰ পাছত মানুহৰ ৰূপ লাভ কৰাটো সম্ভৱ হৈছে। (অৱশ্যে ধৰ্মগ্ৰন্থত মানুহৰ ৰূপতেই ঈশ্বৰে মানুহ সৃষ্টি কৰা বুলি কৈছে)। আধুনিক মানুহৰ দৰে দুখ ভৰিৰে থিয় হৈ খোজ কঢ়া আদি মানৱসকল আছিল এষ্ট্ৰল'পিথেকাছ, যিসকল প্ৰায় ৩০-৪০ লাখ বছৰৰ পূৰ্বে আফ্ৰিকা মহাদেশ বাস কৰিছিল। তেওঁলোকৰ জঁকা, ভৰিৰ বহুতো খোজ নৃবিজ্ঞানীসকলে আৱিষ্কাৰ কৰিছে। তেওঁলোকৰ পাছতো আন কে'বাটাও প্ৰজাতিৰ বিৱৰ্তন ঘটি প্ৰায় এক লাখ বছৰ পূৰ্বে আধুনিক মানুহৰ আৱিৰ্ভাৱ হৈছিল। বিৱৰ্তনবাদৰ বিষয়ে জনা বা পঢ়িবলৈ পোৱা বহুতে প্ৰশ্ন কৰে, মানুহ আৰু অন্যান্য প্ৰাণীৰ বিৱৰ্তন স্তব্ধ হৈ গ'ল নে ভৱিষ্যতে বিৱৰ্তন হৈ থাকিব? বিৱৰ্তন তত্ত্ব যদি শুদ্ধ, তেন্তে ক'ব পৰা যায় যে প্ৰাণীৰ বিৱৰ্তন স্তব্ধ হৈ পৰা নাই। ভৱিষ্যতেও সকলো প্ৰজাতিৰ প্ৰাণীৰেই বিৱৰ্তন ঘটি থাকিব; কিন্তু বিৱৰ্তনৰ ঘটনা যিহেতু লাখ লাখ বছৰৰ মাজেদি হয়, সেয়ে মানুহে বিৱৰ্তনবিলাক নিজ চকুৰে দেখা নাপায়। সেইদৰে মানুহৰো হয়তো ভৱিষ্যতে বিৱৰ্তন ঘটিব। বৰ্তমান মানুহৰ ৰূপটো আৰু কিমান বছৰলৈ একে থাকে, সেই বিষয়ে নিশ্চিতভাৱে ক'ব পৰা নাযায়। ৰোগ-ব্যাধি তথা ভয়ংকৰ প্ৰদূষণৰ পৰা ৰক্ষা পৰিবলৈ মানুহে ভৱিষ্যতে ইয়াৰ ৰূপ সলনি কৰিবলৈ বাধ্য হ'ব পাৰে। মানুহৰ দেহৰ কিছুমান অংগ-প্ৰত্যংগৰ স্থানত কৃত্ৰিম অংগ-প্ৰত্যংগ সংস্থাপিত কৰিবলগীয়া হ'ব পাৰে। মানুহৰ দেহৰ বহুতো অংগ যান্ত্ৰিক নাইবা কৃত্ৰিম হ'ব পাৰে। নাইবা মানুহে নিজকে ৰক্ষা কৰা বা জীয়াই থকাৰ স্বাৰ্থত পৃথিৱীৰ পৰা আন গ্ৰহলৈ গৈ বাস কৰাৰ প্ৰয়োজন হ'ব পাৰে। তেনে ক্ষেত্ৰত প্ৰয়োজন অনুসৰি শৰীৰৰ বহু অংগ-প্ৰত্যংগ যান্ত্ৰিক বা কৃত্ৰিম হোৱাটো জৰুৰী হৈ পৰিব। ইয়াৰ বাহিৰেও মানুহৰ জীৱনশৈলী, খাদ্য, কাৰ্যকলাপ আদিৰ আমূল পৰিৱৰ্তন ঘটিব পাৰে। তেনে ক্ষেত্ৰত মানুহৰ কিছুমান অংগৰ বিৱৰ্তন ঘটিব পাৰে। যদিহে মানুহে হেজাৰ হেজাৰ বছৰ ধৰি খোজকঢ়াৰ পৰিৱৰ্তে বিমান, গাড়ী নাইবা উৰি যোৱা বাহনৰ ওপৰত সকলো সময়তে নিৰ্ভৰশীল হৈ পৰে, তেন্তে ভৰিৰ ব্যৱহাৰ সম্পূৰ্ণ নোহোৱা হৈ পৰিব। প্ৰাণীৰ বিৱৰ্তন তত্ত্বৰ মতে যিবিলাক অংগৰ কোনো প্ৰয়োজন নোহোৱা হৈ পৰে সেইবিলাক অংগ ক্ৰমশঃ অদৃশ্য হৈ পৰে। সেয়ে দেহৰ প্ৰতিটো অংগৰ কাম বা প্ৰয়োজন আছে কাৰণেহে সেইবিলাক একেদৰে আছে। এই ক্ষেত্ৰত বিখ্যাত 'ৱাল-ই' নামৰ চিনেমাখনৰ কথা উল্লেখ কৰিব পাৰি। এই চিনেমাত ৱাল-ই ৰ'বটটোৱে মানুহৰ দৰে চিন্তা কৰিব পাৰে। সি মানৱবিহীন শুকান পৃথিৱীত সাতশ বছৰ ধৰি অকলে বিচৰণ কৰি থাকে; কিন্তু এদিন সি এখন মহাকাশযানত যাত্ৰা কৰিবলগীয়া হয় আৰু এখন ৰ'বটৰ পৃথিৱীত অৱতৰণ কৰেগৈ।

ৰ'বটৰ পৃথিৱীত সকলো কাম ৰ'বটে কৰে। তাত অসংখ্য ৰ'বট অহৰহ নিৰ্মাণ কৰি থকা হয়। তাতেই ৱাল-ইয়ে লগ পায় ভৱিষ্যতৰ মানুহবোৰক। ভৱিষ্যতৰ সেই মানুহবোৰৰ কিন্তু ভৰিৰ অস্তিত্ব নাই। এসময়ত যে সিহঁতৰ ভৰি আছিল তাৰ চিন হিচাপে মাত্ৰ ভৰিৰ পতা আৰু তলুৱাৰ স'তে আঙুলিকেইটাহে আছে। বিশেষ ধৰণৰ যান্ত্ৰিক আসনত বহি যাবলগীয়া হয় মানুহবোৰে। ভৱিষ্যতৰ মানৱৰ এনে দশা দেখা পাই সেয়া কেনেকৈ হ'ব পাৰে বুলি যিকোনো দৰ্শকে প্ৰশ্ন কৰিব পাৰে; কিন্তু ভৱিষ্যতৰ মানৱৰ এনে বিৱৰ্তন প্ৰাকৃতিক বা স্বাভাৱিক নহয়। মানুহৰ যন্ত্ৰনিৰ্ভৰ জীৱনশৈলী আৰু সংস্কৃতিৰ পৰিণামস্বৰূপে এনে ধৰণৰ বিৱৰ্তন ঘটিব পাৰে। অৱশ্যে বিৱৰ্তনে অন্য ৰূপ ল'বও পাৰে; কিন্তু এদিন যে মানুহৰ শাৰীৰিক বিৱৰ্তন ঘটিব— সেই বিষয়ত কোনো সন্দেহ নাই। এদিন ভগৱানে নিজৰ ৰূপতে মানুহ সৃষ্টি কৰিছিল বুলি ধৰ্মগ্ৰন্থই কয়। অৰ্থাৎ মানুহৰ ৰূপত ভগৱানৰ ৰূপটোকে আমি বিচাৰি পাওঁ; কিন্তু দেৱতাসদৃশ মানুহৰ এই ৰূপ এদিন হয়তো ৰ'বটৰ দৰে হৈ পৰিব।

## খো লা ম ঞ্চ

## ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা কেনেকৈ পাম?



**নেতা** হিচাপে আমি প্ৰথমে কোনসকল ব্যক্তিক স্বীকৃতি প্ৰদান কৰিম? নেতা হিচাপে সাধাৰণ জনতাৰ স্বাৰ্থত বা দেশৰ স্বাৰ্থত সকলো দিশতে সৱলভাৱে নেতৃত্ব প্ৰদান কৰি সৃষ্টি হোৱা সমস্যাবোৰ সমাধান কৰিব পৰা গুণৰ অধিকাৰী হ'ব পৰা জনকে নেতা বুলিব পাৰি। আমি সাধাৰণ জনতাই নেতা বুলিলে বুজি পাওঁ চৰকাৰী শাসন ক্ষমতা ধৰি ৰাখিবলৈ প্ৰয়োজন হোৱা ৰাজনৈতিক দলৰ প্ৰধানজনক । ৰাজনৈতিক দলৰ শাসন ক্ষমতা লাভ কৰা প্ৰধান নেতাজনৰ স'তে থকা অন্যসকল স্থান ভেদে পদবীধাৰীকো নেতা-উপনেতা আৰু পালিনেতা হিচাপে স্বীকৃতি প্ৰদান কৰা হয়। বৰ্তমান সময়ত দেখা যায়, সাধাৰণ জনতাৰ স্বাৰ্থত চকুপানী টুকি, ব্যক্তি স্বাৰ্থ ত্যাগ কৰি, নীতি-আদৰ্শৰ বচন আওৰায়। বিভিন্ন সংগঠনৰ নেতাই পৰৱৰ্তী সময়ত সাধাৰণ জনতাৰ প্ৰতিনিধি হিচাপে বিধায়ক, মন্ত্ৰী হ'বলৈ সক্ষমো হয়। সেইসকলে প্ৰথম অৱস্থাত সৎ নেতাৰ অভিনয় কৰি পৰৱৰ্তী পৰ্যায়ত নিৰ্লজ্জ কু-কৰ্মবোৰৰ চৰিত্ৰ ওলাই পৰিবলৈ লোৱাত সাধাৰণ জনতাই ভ্ৰষ্টাচাৰীৰ সলনি সৎ নেতা কেতিয়াও বিচাৰি নাপাব।

তদুপৰি নেতা-পালিনেতা হিচাপে নিম্ন পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈকে স্বীকৃতি পোৱা নেতাৰো প্ৰায়বোৰ ভ্ৰষ্টাচাৰী। এওঁলোকৰ মাজৰ পৰা সৎ চৰিত্ৰৱান নেতাই সাধাৰণ জনতাৰ স্বাৰ্থত ভ্ৰষ্টাচাৰী আচৰণ ত্যাগ কৰিব পাৰিব বুলি আশা নকৰাই ভাল। এইসকল দালালৰূপী নেতাৰ এটাই উদ্দেশ্য হ'ল ধন আহৰণৰ লক্ষ্য। এইসকল ভ্ৰষ্টাচাৰী দালালৰ পৰা সৎ চৰিত্ৰৱান নেতাৰ সৃষ্টি হোৱাটো অলীক কল্পনাৰ বাহিৰে একো নহয়।

**মনহৰি কলিতা**, লেখক

এইসকল ভ্ৰষ্টাচাৰী দালালৰূপী নেতাই ৰাজক্ষমতা পাবলৈ নামে-বেনামে কোটি কোটি ধন খৰচ কৰি বিধায়ক- মন্ত্ৰী হোৱাৰ পৰৱৰ্তী সময়ত ভ্ৰষ্টাচাৰী ৰূপ সলনি কৰি সৎ নেতা কেতিয়াও হ'ব বুলি আশা কৰিব পাৰিব নে?

আভুৱা, সত্যৰ অপলাপ আৰু বিৰক্তিকৰ বাতৰি কিছুমান প্ৰচাৰৰ ফলতে সাধাৰণ জনতা বা সমাজৰ স্বাৰ্থত ওলাই আহি কাম কৰিবলৈ বিচৰা সৎ ব্যক্তি বা নেতাসকল দূৰতে বিদুৰ হৈ থকাৰ ফলতে অযোগ্য, নৈতিকতাহীন, চৰিত্ৰহীন, নিৰ্লজ্জ চৰিত্ৰৰ ব্যক্তিসকলৰ পৰা অৰ্থাৎ ভ্ৰষ্টাচাৰীসকলৰ মাজৰ পৰা সলনি হৈ কেতিয়াও সৎ চৰিত্ৰৱান নেতা ওলাব নোৱাৰিব। ভ্ৰষ্টাচাৰী লোক বা নেতাসকল গোটৰ অধীনত সংগবদ্ধ হৈ থাকি কুচক্ৰান্তৰে সৎ চৰিত্ৰৱান নেতা বা ব্যক্তিসকলক আঁতৰাই ৰখাটো প্ৰধান লক্ষ্য। ভ্ৰষ্টাচাৰীসকলৰ গোটৰ মাজৰ পৰা সৎ চৰিত্ৰৱান নেতা বা ব্যক্তিসকল আঁতৰি থকাৰ সুযোগ গ্ৰহণ কৰিয়েই ভ্ৰষ্টাচাৰীসকলে সকলো দিশ বা পৰ্যায়তে কুচক্ৰান্তৰে বিয়পি থকাৰ ফলত চাৰিওফালে সমস্যাবোৰে মূৰ দাঙি উঠিবলৈ সুবিধা পাইছে। ভ্ৰষ্টাচাৰীসকলে ব্যক্তি স্বাৰ্থত অতিকৈ গুৰুত্ব প্ৰদান কৰাত সৎ নেতা বা ব্যক্তিৰ সৃষ্টিটো নহয়, তাৰ পৰিৱৰ্তে সৎ নিঃস্বাৰ্থ ব্যক্তিৰ অভাৱত সমাজৰ প্ৰকৃত সমস্যাবোৰ সমস্যাই হৈ থাকে। শাসন ক্ষমতাপ্ৰাপ্তিৰ বিধায়ক- মন্ত্ৰীসকলক প্ৰকৃত সত্য কথাৰ পৰা আঁতৰাই ৰাখি ভ্ৰষ্টাচাৰীসকল ৮০ শতাংশই ৰাজভোগৰ সুবিধা গ্ৰহণ কৰি ভোগ কৰা দেখিবলৈ পোৱা যায়।

ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম মূলত ঃ

ৰাজনৈতিকভাৱে আমি সচেতন হ'ব লাগিব।

ৰাজনৈতিক নেতাৰ লগতে অন্যান্য দল-সংগঠনৰ নেতাৰ আভুৱা, আৱেগিক কথাত বিশ্বাস ৰাখিব নালাগিব।

সৎ চৰিত্ৰৱান ব্যক্তি বা নেতাক চিনাক্ত কৰিব পাৰিব লাগিব।

*ফোন ঃ ৮৬৩৮০১৪০৮৭*

# মৌলিক বিজ্ঞান আজি পথভ্ৰষ্ট

**ভাৰত স্বাধীন হোৱাৰ পাছত নেহৰুৰ নেতৃত্বৰ ভাৰত চৰকাৰে বিশেষকৈ নেহৰুৰ উদ্যোগত ভাৰতত ভাৱবাদী চিন্তাধাৰাৰ পৰিৱৰ্তে বস্তুবাদী চিন্তাধাৰাৰে ভাৰতীয় সমাজখনক উন্নতিৰ ধৰাত আগুৱাই নিবলৈ সমস্ত প্ৰকাৰৰ চেষ্টা চলাইছিল**

### দৃষ্টিপাত



**অনন্ত কলিতা**

**যোৱা** ২৫ এপ্ৰিলত অসমৰ কেইখনমান দৈনিক বাতৰিকাকতত প্ৰকাশ পাইছিল যে পুৰীৰ শংকৰাচাৰ্যই কৈছে যে ধৰ্মনিৰপেক্ষতা বাদ দি দেশ আৰু ৰাষ্ট্ৰক হিন্দু বনাব লাগে, সংবিধান সংশোধন কৰিব লাগে। এই পটভূমিত আমি আলোচনা কৰিব পাৰো অষ্টম শতিকাৰ শংকৰাচাৰ্যৰ দৰ্শনে কেনেকৈ ভাৰতবৰ্ষখনৰ আধুনিক জ্ঞান-বিজ্ঞান-প্ৰযুক্তি আগবাঢ়ি যোৱাত হেঙাৰ হৈ থিয় দিছিল। প্ৰাচীন ভাৰতৰ জ্যোতিৰ্বিজ্ঞান, গণিত, ৰসায়ন, চিকিৎসাবিজ্ঞান ইমানেই উন্নত আছিল যে প্ৰাচীন সভ্যতা আৰু বিজ্ঞানৰ নিৰিখত ভাৰত আন দেশৰ তুলনাত অকল সমকক্ষই নাছিল, ইউৰোপকে ধৰি বহু দেশৰ তুলনাত অনেক বেছি উন্নত আছিল। এই ক্ষেত্ৰত ই এম এছ নাম্বুডিৰিপাদে তেওঁৰ 'আদি শংকৰাচাৰ্য আৰু তেওঁৰ দৰ্শন' শিৰোনামৰ প্ৰৱন্ধটোত লিখিছে 'খ্ৰীষ্টীয় প্ৰথম সহস্ৰাব্দৰ প্ৰথমাৰ্ধত ভাৰত জ্ঞান-বিজ্ঞান চৰ্চাত ইউৰোপৰ তুলনাত অনেক আগুৱাই থাকিলেও ভাৱবাদৰ আধিপত্য আৰু বস্তুবাদৰ পৰাজয়ৰ ফলত ক্ৰমশঃ জ্ঞান-বিজ্ঞানত পিছুৱাই যাবলৈ আৰম্ভ কৰিলে। শেষ গজালটো মাৰিছিল শংকৰাচাৰ্যই অষ্টম শতাব্দীত তেওঁৰ সময়ত তৎকালীন পৰ্বত বস্তুবাদৰ বিৰুদ্ধে ভাৱবাদৰ চূড়ান্ত জয় অৰ্জিত হৈছিল। ইয়াৰ অনিবাৰ্য ফল আছিল জ্ঞান-বিজ্ঞান-প্ৰযুক্তি চৰ্চাৰ প্ৰায় অৱসান আৰু ভাৰতৰ অধঃপতনৰ যুগ।' ভাৰতীয় বিজ্ঞানৰ অগ্ৰদূত ঐতিহাসিক প্ৰফুল্ল চন্দ্ৰ ৰায়ে লিখিছিল, 'শংকৰে যিভাৱে বেদান্ত দৰ্শনক সংশোধিত আৰু প্ৰসাৰিত কৰিছিল আৰু যিটোৰ মাধ্যমেদি এই কথা শিকোৱা হৈছিল যে বস্তুগত জগত হ'ল মিথ্যা, ইয়াৰ ফলত ভৌতবিজ্ঞানৰ চৰ্চা সমাজত হেৰাই গ'ল। কনাড (এজন ভাৰতীয় প্ৰাচীন প্ৰাকৃতিক বিজ্ঞানী আৰু দাৰ্শনিক আৰু পদাৰ্থবিদ্যাবিদ যিজনাই বৈশেষিক [Vaisheshika] দাৰ্শনিক বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল, এওঁ প্ৰাচীন কালতে পদাৰ্থবিদ্যা আৰম্ভ কৰিছিল জন ডেলটনে পৰমাণু আৱিষ্কাৰ কৰা ২৫০০ বছৰ আগতে পৰমাণুৰ তত্ত্ব সুত্ৰায়িত কৰিছিল আৰু তেওঁৰ ব্যৱস্থাক নিৰ্দয়ভাৱে সমালোচনা কৰিছিল শংকৰে। 'বেদান্ত সূত্ৰৰ ওপৰত শংকৰৰ যি ভাষ্য, তাৰ পৰা দুই-তিনিটা উদ্ধৃতি দিলে এই বিষয়টো স্পষ্ট হৈ যায়। যেনে শংকৰে কৈছিল, 'ইয়াতে যি পৰমাণু তত্ত্বৰ কথা কোৱা হৈছে সেইটোৰ যুক্তি অতি দুৰ্বল, এওঁলোকে এই কথা নাজানে, ঈশ্বৰেই জগত। কাৰণ ধৰ্মশাস্ত্ৰতেই এই কথা আছে, তেওঁলোকে মনু আৰু অন্যান্য কৰ্তৃত্বকো নামানে। সেয়ে যিকোনো উচ্চচিন্তাসম্পন্ন মানুহ, যিসকলে নিজৰ আত্মিক উন্নতি ঘটাবলৈ বিচাৰে, তেওঁলোকে এওঁলোকক সম্পূৰ্ণ অস্বীকাৰ কৰে।' পাছত অন্যত্ৰ শংকৰে লিখিছিল, 'কিয় আমি বৈশেষিকসকলৰ তত্ত্বক গ্ৰহণ কৰিব নোৱাৰিলো, ইয়াৰ ওপৰতে আলোচনা কৰা হৈছে। এই তত্ত্বক অনেক ৰূপত ধ্বংসাত্মক বুলি বৰ্ণনা কৰিব পাৰি!' আদি শংকৰাচাৰ্যৰ পৰা উপৰোক্ত উদ্ধৃতি দি প্ৰফুল্ল চন্দ্ৰ ৰায়ে কৈছিল, "যিসমূহ জনসাধাৰণ জাত-পাতৰ দ্বাৰা জৰ্জৰিত, কৰ্তৃপক্ষৰ দ্বাৰা শোষিত আৰু বেদ পুৰাণ-স্মৃতিৰ নিষেধাজ্ঞাৰ ঠেলাত যিসকলৰ বুদ্ধি মুহ্যমান আৰু অৱশ হৈ গৈছিল, তেওঁলোকৰ মাজৰ পৰা বয়েলৰ (Boyle) নিচিনা বিজ্ঞানীৰ আৱিৰ্ভাৱ হোৱা সম্ভৱ নাছিল, যিজনাই পথ দেখুৱাৰ নিচিনা সুনিৰ্দিষ্ট আদৰ্শ সৃষ্টি কৰি দিব। 'ই এম এছ নাম্বুৰিডিপাদে লিখিছে যে বস্তুবাদী ভাৱবাদীসকলৰ ওচৰত বস্তুবাদীসকলৰ পৰাজয়ৰ পাছত ভাৰত এক বন্ধাৱস্থাত আটকি ৰ'ল, যি সময়ত ইউৰোপত মৌলিক, সামাজিক, অৰ্থনৈতিক পৰিৱৰ্তন হ'বলৈ ধৰিলে অথচ এই ইউৰোপ প্ৰাচীন যুগত ভাৰততকৈ অনেক পিছুৱাই আছিল। বিজ্ঞানৰ ঐতিহাসিক আৰু বিশিষ্ট বিজ্ঞানী জে ডি বাৰ্ণালে লিখিছে যে ইউৰোপীয় ৰেনেছাঁ 'অভিজাতসকলৰ তত্ত্ব' আৰু জনসাধাৰণৰ প্ৰয়োগ এই উভয়ৰ মাজত যি ব্যৱধান, তাত কিছু প্ৰলেপ দিছিল।' বাৰ্ণালে আৰু লিখিছিল (দেৱীপ্ৰসাদ চট্টোপাধ্যায় উদ্ধৃতি দিছিল), 'যিটো প্ৰকৃততে নতুন, সেইটো হ'ল সূতা তৈয়াৰী, বস্ত্ৰ বয়ন, বাচন তৈয়াৰী, আইনা তৈয়াৰী প্ৰভৃতি হাতে-কলমে কৰ্মৰ যিসকল শিল্পী আৰু সৰ্বোপৰি খনি আৰু ধাতুৰ শ্ৰমিকসকল, যিসকলে সম্পদ আৰু যুদ্ধৰ চাহিদা পূৰণ কৰিছিল, তেওঁলোকক মৰ্যাদা দিয়া আৰম্ভ হৈছিল। শিল্পকলাত যি কুৎকৌশল, সেইটো ৰেনেছাঁ যুগৰেই বৈশিষ্ট্য, প্ৰাচীন যুগৰ নহয়— ইয়াৰ কাৰণ এই কৌশল ক্ৰীতদাসসকলৰ হাতত নাছিল, আছিল স্বাধীন মানুহৰ হাতত— মধ্যযুগত এইবোৰ কুটকৌশল নতুন সমাজৰ শাসকসকলৰ পৰা সামাজিক আৰু অৰ্থনৈতিকভাৱে অনেক দূৰত আছিল। ৰেনেছাঁ যুগত যে কাৰুশিল্পীসকলৰ মৰ্যাদা বৃদ্ধি পালে, তাতে তেওঁলোকৰ যি ঐতিহ্য, তাৰ লগত পণ্ডিত ব্যক্তিসকলৰ সূচনাপৰ্বত সম্পৰ্কত যি বিভেদ ঘটিছিল সেই বিচ্ছেদৰ অৱসান ঘটাই সম্পৰ্কৰ নৱীকৰণ ঘটিল।

ভাৰতত শংকৰাচাৰ্যৰ দৰ্শনৰ প্ৰাসংগিকতা আছে নে সেইটোকো আলোচনাৰ প্ৰয়োজন। শংকৰাচাৰ্য এনেকুৱা এটা সময়ত তেওঁৰ কৰ্ম-কাণ্ডত ব্যাপৃত আছিল যিসময়ত সমগ্ৰ বিশ্বত ভাৱবাদী আৰু বস্তুবাদীসকলৰ মাজত তীব্ৰ সংগ্ৰাম চলি আছিল। ভাৰততো ইয়াৰ ব্যতিক্ৰম নাছিল; কিন্তু এক বৃহৎ পাৰ্থক্য আছিল এই দুই সংগ্ৰামৰ মাজত। ইউৰোপত যি সংগ্ৰাম হৈছিল তাত কোনো এক পক্ষ চূড়ান্ত জয়লাভ কৰা নাছিল, দুই গোষ্ঠীৰ মাজত সংঘাত সমান্তৰালভাৱে চলিছিল। ফলত সংশ্লিষ্ট ক্ষেত্ৰত বিৰাট বিৰাট ব্যক্তিত্বৰ আৱিৰ্ভাৱ হৈছিল; কিন্তু ভাৰতত দুই দাৰ্শনিক প্ৰৱণতাৰ মাজত সংগ্ৰামৰ এক পক্ষৰ (বস্তুবাদীসকলৰ) পৰাজয় ঘটিছিল আৰু ভাৱবাদীসকলৰ আধিপত্য বৃদ্ধি পাইছিল আৰু শক্তিশালী হৈছিল। অৱশ্যে এই সংগ্ৰাম আছিল অসম, কাৰণ সেই সময়ৰ সামাজিক-ৰাজনৈতিক প্ৰতিষ্ঠান (জাত-পাতৰ সমন্বয়ত গঢ়ি উঠা শাসন ব্যৱস্থা) সম্পূৰ্ণভাৱে ভাৱবাদীৰ পক্ষত থিয় হৈ বস্তুবাদৰ বিৰোধিতা কৰিছিল। ভাৰতত এই যে ভাৱবাদী পক্ষ জয়ী হ'ল আৰু বস্তুবাদী পক্ষ পৰাজিত হ'ল ইয়াৰ কাৰণ অকল মাত্ৰ দুই বিমূৰ্ত দৰ্শনৰ মাজতে যুদ্ধই সীমিত হৈ থকা নাছিল, বৰঞ্চ দুই সামাজিক শ্ৰেণী এক পক্ষ প্ৰভূত্বকাৰী আৰু আনপক্ষ শোষিত— উভয় সামাজিক পক্ষই তেওঁলোকৰ দৰ্শনক তেওঁলোকৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। সেয়ে শংকৰাচাৰ্য আৰু তেওঁৰ দৰ্শনৰ জয়লাভ আছিল ব্ৰাহ্মণ আৰু অন্যান্য প্ৰভূত্বকাৰী জাতিবোৰৰ জয় আৰু ভাৰতীয় সমাজৰ বাকী অংশৰ পৰাজয়।

ভাৰত স্বাধীন হোৱাৰ পাছত নেহৰুৰ নেতৃত্বৰ ভাৰত চৰকাৰে বিশেষকৈ নেহৰুৰ উদ্যোগত ভাৰতত ভাৱবাদী চিন্তাধাৰাৰ পৰিৱৰ্তে বস্তুবাদী চিন্তাধাৰাৰে ভাৰতীয় সমাজখনক উন্নতিৰ ধৰাত আগুৱাই নিবলৈ সমস্ত প্ৰকাৰৰ চেষ্টা চলাইছিল। ব্ৰিটিছে ভাৰতত বিজ্ঞান-প্ৰযুক্তিৰ কোনোধৰণৰ উন্নতি সাধন কৰা নাছিল। ভাৰতবৰ্ষৰ জনসাধাৰণে সামন্তবাদী পৰিৱেশত বিশেষকৈ শংকৰাচাৰ্যৰ ভাৱবাদী চিন্তাধাৰাত নিমজ্জিত হৈ আছিল। জৱাহৰলাল নেহৰু যুক্তিবাদী, বিজ্ঞানমনস্ক তথা প্ৰগতিশীল চিন্তাধাৰাৰ লোক আছিল।

নেহৰুৱে ভালকৈ বুজিছিল যে ভাৰতবৰ্ষৰ উন্নতি সাধন কৰিবলৈ হ'লে ভাৰতবৰ্ষৰ জ্ঞান-বিজ্ঞান-প্ৰযুক্তিৰ ক্ষেত্ৰখন উন্নীত কৰিব লাগিব আৰু সেইটো সম্ভৱ হ'ব যদিহে জনসাধাৰণক জ্ঞান-বিজ্ঞানত শিক্ষিত কৰি তেওঁলোকক বিজ্ঞানমনস্ক কৰিব পৰা যায়, অৰ্থাৎ তেওঁলোকক ভাৱবাদী চিন্তাধাৰাৰ পৰা মুক্ত কৰি বস্তুবাদী চিন্তাধাৰাৰ প্ৰতি আকৰ্ষিত কৰা যায়। নেহৰুৱে তেওঁৰ গ্ৰন্থ 'Glimpses of World History'ত লিখিছিল, "...Organised religion in Europe or elsewhere, has various dogmas attached to it which its followers are supposed to accept without doubt or questioning. Science has a very different way of looking at things. It takes nothing for granted and has, or aught to have, no dogmas. It seeks to encourage an open mind and tries to




reach truth by repeated experiment. This outlook is obviously very different from the religious outlook, and it is not surprising that there was freaquent conflient between the two."

নেহৰুৰ উক্ত চিন্তাধাৰা প্ৰতিফলিত হৈছিল ১৯৫৮ৰ দেশৰ বাবে প্ৰস্তুত কৰা বিজ্ঞান নীতিত। 'ছায়েণ্টিফিক ৰিজলিউছন অৱ ১৯৫৮'ত কৈছিল, "দেশত বিজ্ঞানচৰ্চা আৰু বিজ্ঞান গৱেষণা চলাই যাব লাগিব। ইয়াক মানুহে প্ৰতিপালন কৰিব লাগিব আৰু এইবোৰক আগুৱাই লৈ যাব লাগিব। বিজ্ঞান আৰু প্ৰয়োগৰ মাধ্যমত প্ৰাপ্ত উপকাৰবোৰক দেশৰ প্ৰত্যেকজন নাগৰিকৰ ওচৰত পোৱাই দিয়াৰ কৰ্তব্যক নিশ্চিত কৰিব লাগিব। নেহৰুৱে দেশত বিজ্ঞান-প্ৰযুক্তিৰ উন্নয়নৰ বাবে অনেক দপ্তৰ মুকলি কৰিছিল আৰু সেই দপ্তৰবোৰ নিজেই পৰিচালনা কৰিছিল। 'ডিপাৰ্টমেণ্ট অৱ অট'মিক এনাৰ্জি' (DAE), 'ডিপাৰ্টমেণ্ট অৱ ছায়েন্স এণ্ড টেক্‌নোল'জী' (DST), ডিপাৰ্টমেণ্ট অৱ স্পেচ' (DOS) আদি দপ্তৰবোৰ সৃষ্টি কৰিছিল নেহৰুৱে। তদুপৰি বিজ্ঞান শিক্ষাৰ উচ্চতম উৎকৃষ্ট অনুষ্ঠান আই-আই-টি প্ৰতিষ্ঠা কৰিছিল। স্বাস্থ্য-শিক্ষাৰ শ্ৰেষ্ঠতম অনুষ্ঠানটো এইমছ, বাণিজ্য শিক্ষাৰ আই-আই-এম, ইণ্ডিয়ান স্কুল অৱ মাইনছ, কৃষি বিশ্ববিদ্যালয়, ইণ্ডিয়ান ইনষ্টিটিউট অব্‌ ছায়েন্স, কাউন্সিল অৱ ছায়েণ্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিছাৰ্চ আদি প্ৰতিষ্ঠানবোৰ মুকলি কৰিছিল। নেহৰুৰ উদ্যোগতে এই কথাশাৰী দেশৰ সংবিধানত অন্তৰ্ভুক্ত কৰিছিল, 'It shall be the duty of every citizen of India... to develop the scientific temper, humanism and spirit of enquiry and reform." জৱাহৰলাল নেহৰুৱে বুজিছিল যে বিশ্বৰ জ্ঞান-বিজ্ঞান-প্ৰযুক্তিৰ উন্নতিৰ লগত তাল মিলাই আমাৰ দেশ তথা জনসাধাৰণক আগুৱাই নিবলৈ হ'লে অপবিজ্ঞান, জ্যোতিষবিদ্যা, ধৰ্মান্ধতা, অন্ধবিশ্বাস, অযৌক্তিক চিন্তাধাৰা আদি প্ৰত্যাখ্যান কৰি বিজ্ঞানমনস্ক, যুক্তিবাদী সামগ্ৰিকভাৱে বস্তুবাদী, প্ৰগতিশীল চিন্তাধাৰাক অৱলম্বন কৰিব পাৰিলেহে দেশখন তথা জনসাধাৰণৰ উন্নতি ঘটাব পাৰিব। দৰিদ্ৰতা দূৰীকৰণত সহায়ক হ'ব, বিশ্বৰ জনগণৰ লগত খোজ মিলাই অগ্ৰগতি কৰিব পাৰিব।

২০১৪ত দেশৰ শাসন ক্ষমতাত বিজেপি অহাৰ পাছত দেশৰ জনসাধাৰণৰ বিজ্ঞানভিত্তিক বা বস্তুবাদী চিন্তাৰ বিপৰীতে ভাৱবাদী আৰু আধ্যাত্মিক চিন্তা-চৰ্চাৰ প্ৰতি আকৰ্ষিত হোৱাৰ পৰিৱেশ সৃষ্টি কৰিবলৈ ধৰিলে আৰু জনসাধাৰণক ধৰ্মভিত্তিক সাম্প্ৰদায়িকতাৰ দিশত ঠেলি দিয়াৰ প্ৰচেষ্টা চলালে। নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতত চৰকাৰ গঠন হোৱাৰ পাছত অপবিজ্ঞান চৰ্চাৰ উত্থান হৈছে। CSIRৰ এজন প্ৰাক্তন মুখ্য বিজ্ঞানী গহৰ ৰেজাই বৰ্তমান অৱস্থাটোক চিহ্নিত কৰিছে এইবুলি, 'Project Assault on Scientific Rationalism'। সঁচায়ে এইটো যেন এক প্ৰকল্প। ধাৰাবাহিকভাৱে নেতা-মন্ত্ৰীসকলে বিজ্ঞানবিৰোধী, পুৰাণ নিৰ্ভৰ কথা কৈ ফুৰিছে। ভাৰতীয় বিজ্ঞান কংগ্ৰেছক অপবিজ্ঞান প্ৰচাৰৰ প্ৰতিষ্ঠানত পৰিণত কৰাৰ প্ৰয়াস কৰিছে। পাঠ্যপুথিত বিজ্ঞানবিৰোধী কথাৰ বিপুল সমাহাৰ। গৱেষণাগাৰসমূহত পুৰাণক সত্য প্ৰমাণ কৰাৰ বাবে উৎসাহ যোগোৱা হৈছে। যুক্তি-বুদ্ধি-সুচেতনা ধ্বংসৰ বিপুল এই আয়োজনৰ উৎকট মাত্ৰা হ'ল অপবিজ্ঞান বিৰোধীসকলক লাঞ্ছনা আৰু যুক্তিবাদৰ প্ৰচাৰকসকলক প্ৰত্যক্ষভাৱে নিধন। এই পৰিৱেশক গহৰ ৰেজাই কৈছে, 'A religio-mythical Cultureৰ ৰমৰমা। এই ধৰ্মীয় পুৰাণবাদী সংস্কৃতি দ্ৰুত দেশৰ বিজ্ঞান প্ৰতিষ্ঠানসমূহত বিয়পাই দিবলৈ আৰম্ভ কৰিছে।'

হিন্দু ধৰ্মীয় পুৰাণবাদী এই সংস্কৃতি চৰ্চা আৰু বিকাশ দ্ৰুত বিয়পাই দিবলৈ আৰ-এছ-এছে 'বিজ্ঞান ভাৰতী' (VIBHA) নামৰ এটি সংগঠন খুলিছে। এওঁলোকৰ মূল লক্ষ্য 'Science with swadeshi spirit'। ভাৰতীয় আধ্যাত্ম্যবাদ আৰু বিজ্ঞানৰ সমন্বয় ঘটাবলৈ বিচাৰে এওঁলোকে; কিন্তু সেইটো সম্ভৱ জানো? বস্তুজগতৰ ক্ৰিয়াৰ চৰ্চাই য'ত বিজ্ঞানৰ প্ৰধান কাম, যিটোৰ মাধ্যমত প্ৰাকৃতিক জগতৰ লুকাই থকা ৰহস্যটোক উদঙাই দিয়ে, য'ত আধ্যাত্ম্যবাদৰ কোনো ঠাই থাকিব নোৱাৰে। কাৰণ ভাৰতীয় বা হিন্দু ভাৱবাদী বা আধ্যাত্ম্যবাদী ভাৱনাই বস্তুজগতৰ অস্তিত্বই স্বীকাৰ নকৰে। উদ্দেশ্য হ'ল অপবিজ্ঞান আৰু মন্দবিজ্ঞান চৰ্চাত উৎসাহ জগাই ভাৰতবৰ্ষৰ সমাজৰ পৰা বৈজ্ঞানিক মেজাজৰ বিন্দুমাত্ৰ অৱশেষটোকো মচি পেলোৱা। এই সংগঠনৰ অন্যতম উপদেষ্টা হ'ল জে এন ইউৰ উপাচাৰ্য বিজয় কুমাৰ সাৰস্বত। তেওঁ কৈছিল, 'ৰত্ন-পাথৰ অকল ভালে থকাৰ কাৰণেই নহয়, ভৱিষ্যতকো নিয়ন্ত্ৰণ কৰিব পাৰে বুলি মই বিশ্বাস কৰো।' তেওঁ আৰু কৈছিল, "আমাৰ জাতি পৃথিৱীৰ কোনো জাতিতকৈ নিম্নমানৰ নহয়। হিন্দু বিজ্ঞানে যিটো অৰ্জন কৰিছে সেইটোৰ কাৰণে মই গৰ্বিত।' শুনিবলৈ অনেক ধৰণে হিটলাৰৰ নাৎসী পাৰ্টিৰ অনুৱৰ্তী যেন অনুভৱ হয়।

পুৰীৰ শংকৰাচাৰ্যই নতুন কথা একো কোৱা নাই বৰ্তমানৰ চৰকাৰখনৰ বা আৰ-এছ-এছৰ যি লক্ষ্য সেইটোকে তেওঁ পুনৰাবৃত্তি কৰিছে বা সমৰ্থনত তেওঁ চিৎকাৰ দিছে। ভাৰত প্ৰাচীন যুগত জ্ঞান-বিজ্ঞানত ইউৰোপতকৈ যথেষ্ট আগবাঢ়ি থকাৰ পাছতো ই আৰু বেছি দূৰ অগ্ৰগতি কৰিব নোৱাৰাৰ কাৰণ ই এম এছ নাম্বুডিৰিপাদৰ ভাষাত আদি শংকৰাচাৰ্যই শেষ গজালটো মাৰি অগ্ৰগতি বন্ধ কৰি দিছিল। ১৯৪৭ত ভাৰত স্বাধীন হোৱাত জৱাহৰলাল নেহৰুৰ নেতৃত্বত ভাৰত চৰকাৰে এই গজালটো উভালি ভাৰতীয় সমাজখনত বিজ্ঞানসন্মত বস্তুবাদী চিন্তাধাৰাৰ প্ৰসাৰৰে জ্ঞান-বিজ্ঞানৰ উন্নতি ঘটোৱাৰ চেষ্টা কৰিছিল। ২০১৪ৰ পাছৰে পৰা আকৌ আদি শংকৰাচাৰ্যৰ নিচিনা ভাৰতীয় সমাজখনত বিজ্ঞানসন্মত বস্তুবাদী চিন্তাধাৰাক প্ৰসাৰত বাধা দিয়াৰ বাবে গজাল মাৰি ভাৱবাদী চিন্তাধাৰা প্ৰচাৰৰ দিশত অগ্ৰগতি কৰিছে। শিক্ষানুষ্ঠানত জ্যোতিষবিদ্যাৰ বাধ্যতামূলক শিক্ষা আৰম্ভ কৰিছে। চৰকাৰীভাৱে মঠ-মন্দিৰ নিৰ্মাণ-পূজা আদি চলাই আছে। ভাৰতৰ প্ৰায় এশ কোটি মানুহৰ প্ৰতিদিনৰ জীৱনত আছে অনেক অনিশ্চয়তা, অপূৰ্ণ থকা স্বপ্ন, নানা আশা আৰু অজস্ৰ সুখ-কল্পনাৰ আশা-আকাংক্ষা। দিশাহীন জীৱন তেওঁলোকৰ। ভৱিষ্যৎ অস্পষ্ট। এনে অৱস্থাত মানুহক ঈশ্বৰ, ভাগ্য, পূজা-পাৰ্বণৰ মায়াজালত বান্ধি পেলাইছে। ফলত তৈয়াৰী হৈছে ধৰ্মীয় অনুৰাগ আৰু আচ্ছন্নতা। চৰকাৰ সৃষ্ট অমানিশাৰ অৱস্থাৰ সুযোগ লৈ জনসাধাৰণক তেওঁলোকৰ মন মৌলিক সমস্যাৰ পৰা আঁতৰ কৰি নি মঠ-মন্দিৰ, ভাগ্য, পূজা-পাৰ্বণৰ ফালে লৈ গৈ বিজ্ঞানমনস্কতাৰ বা বস্তুবাদ চিন্তাৰ পৰা আঁতৰাই ভাৱবাদী চিন্তাত মগ্ন কৰিছে।

উক্ত পটভূমিতে গৱেষণা প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয়সমূহত মৌলিক গৱেষণাৰ পৰিৱৰ্তে অপবিজ্ঞানৰ চিন্তা-চৰ্চাই প্ৰভূত্ব কৰিছে। এই অনুষ্ঠানবোৰ পৰিচালনাত কেন্দ্ৰীয় নিয়ন্ত্ৰণ হৈছে কঠোৰ। আজি বিজ্ঞানীসকল শংকিত। ভাৰতবৰ্ষৰ ৰাজনীতি তথা আৰ-এছ-এছৰ লক্ষ্য ভাৰতবৰ্ষক অতি শীঘ্ৰে হিন্দুৰাষ্ট্ৰত পৰিণত কৰাৰ দাবীৰ পৰিপ্ৰেক্ষিতত পুৰীৰ শংকৰাচাৰ্যক উৎসাহিত কৰিছে, তেওঁকো দাবী কৰিবলৈ ভাৰতৰ সংবিধান সংশোধন কৰি ভাৰতক হিন্দুৰাষ্ট্ৰত পৰিণত কৰিবলৈ।

স্বাধীনতাৰ ৭৫ বছৰ পাছত নেহৰুৱে সৃষ্টি কৰা বস্তুবাদী চিন্তাধাৰাৰে দেশখনৰ জ্ঞান-বিজ্ঞানৰ উন্নতিৰ বিপৰীতে জ্ঞান-বিজ্ঞানৰ অধঃপতনৰ কাৰ্যসূচীয়েহে অগ্ৰগতি কৰিছে। আজি সংবিধানিক অধিকাৰ প্ৰৱলভাৱে আক্ৰান্ত। আক্ৰান্ত মুক্ত চিন্তা, প্ৰশ্ন আৰু বিতৰ্কৰ অধিকাৰ, স্বাধীন মত প্ৰকাশৰ অধিকাৰ। বিজ্ঞানৰ পদ্ধতি আৰু যুক্তিবোধ অৱহেলিত। ধৰ্মীয় মতান্ধতা আৰু গোড়ামিৰ শক্তি তীব্ৰ বেগে আগবাঢ়ি আছে। বিজ্ঞানৰ সুফল সাধাৰণ মানুহৰ ওচৰত আজিও ছয়াময়া। মানৱীয় মূল্যবোধ আজি বিধ্বস্ত। জীৱন-জীৱিকাৰ অধিকাৰ বিলুপ্ত। সাম্প্ৰদায়িক বিভাজনৰ শক্তি আজি আশীৰ্বাদপুষ্ট। হিন্দুৰাষ্ট্ৰৰ সৃষ্টি কৰিবলৈ সমাজখনক ভাৱবাদী দৰ্শনত নিমজ্জিত কৰি বিজ্ঞানমনস্কতা, যুক্তিবাদ সামগ্ৰিকভাৱে বস্তুবাদী দৰ্শনৰ মৃত্যু ঘটাবই লাগিব। সেয়ে মৌলিক বিজ্ঞানক আজি পথভ্ৰষ্ট কৰা হৈছে।

*ফোন ঃ ৯৪৩৫০৪১২০৩*

# এক লাখ নিবনুৱাৰ নিযুক্তি আৰু চৰকাৰৰ কৰ্মসংস্কৃতি

### দৃষ্টিপাত



**মিলেশ্বৰ পাতৰ**

**এইবেলি** ব'হাগ বিহুৰ পূৰ্বে এদিন এটি চৰকাৰী কাৰ্যালয়লৈ গৈ মোৰ পুৰণি চিনাকি কৰ্মচাৰী কেইজনমানৰ খা-খবৰ ল'বলৈ বুলি সোমালো। গৈ দেখিলো আঠজনমান কৰ্মচাৰী এটা কোঠাত বহি আলোচনা কৰি আছে মানে আড্ডা মাৰি আছে। মোক আথে-বেথে বহিবলৈ দিলে। সকলোৰে খা খবৰ ল'লো। সুধিলো, কাৰ্যালয়ৰ কাম-কাজ কেনে চলিছে। উত্তৰত সকলোৱে একেমুখে ক'লে— ছাৰ! কাম কৰিবলৈ আজি-কালি আমাৰ কামেই নাই। কাৰ্যালয়লৈ ১০ বজাত আহি দিনৰ দিনটো বহি থাকি ঘৰলৈ যাওঁ। এনেকৈয়ে চলি আছে। কথাখিনিয়ে মোক বাৰুকৈয়ে চিন্তিত কৰিলে। মোৰ চাকৰি জীৱনৰ দীঘলীয়া অভিজ্ঞতাৰে কথাবোৰ জুকিয়াই চালো। কৰিবলৈ বহু কাম থকাসকলৰ একাংশই নানা অজুহাতত সঠিকভাৱে কাম-কাজ নকৰে আৰু কাম কৰিবলৈ উন্মুখ হৈ থকা এচাম নিষ্ঠাৱান কৰ্মচাৰীৰ বাবে কৰিবলৈ কামেই নাই। এই সঁচা কথাখিনি অৱতাৰণা কৰাৰ উদ্দেশ্য এটাই যে বৰ্তমান সময়ত চৰকাৰী কাৰ্যালয়ৰ কৰ্মসংস্কৃতিৰ নমুনা এটাই। এনে এখন ছবি বহু চৰকাৰী কাৰ্যালয়তে প্ৰত্যক্ষ কৰিছো। কাম কৰা বা নকৰা সকলোৱে মাহৰ মূৰত দৰমহাটো পাই আছে। চৰকাৰৰ ৰাজহৰ ধন কোনো ফল নোপোৱাকৈয়ে খৰচ হৈ আছে। এই গতিৰে ৰাজ্যখন অৰ্থনৈতিকভাৱে বিধ্বস্ত নোহোৱাকৈ থাকিব নে? কৰ্মসংস্কৃতিৰ এনে এখন পয়ালগা ছবি স্পষ্ট হৈ থকাৰ সময়তে বৰ্তমানৰ চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি এক লাখ নিবনুৱাক চৰকাৰী চাকৰিত নতুনকৈ নিয়োগৰ ব্যৱস্থা কৰিছে। নিবনুৱা সমস্যা সমাধানৰ স্বাৰ্থত এনে ব্যৱস্থা খুবেই আদৰণীয়; কিন্তু চৰকাৰৰ সকলো বিভাগৰ কৰ্মক্ষেত্ৰখন উৰ্বৰ হৈ আছেনে? য'ৰ পৰা চৰকাৰে জনকল্যাণৰ বাবে ফচল উৎপাদন কৰিব পাৰে? অনুৎপাদনশীল কৰ্মক্ষেত্ৰ এখনত বিনিয়োগ কৰিলে কি লাভ হ'ব? এনেবোৰ প্ৰশ্নৰ উদ্ৰেক হোৱাটো তেনেই স্বাভাৱিক।

অসমত প্ৰচলিত এটা



ভাৰসাম্যহীন অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত অসমৰ এগৰাকী বিশিষ্ট অৰ্থনীতিবিদ ড° জয়ন্ত মাধৱে এষাৰ অতি গুৰুত্বপূৰ্ণ কথা দাঙি ধৰিছিল। তেওঁ কৈছিল— whethere we need the present size of aduninistration in our state where the productivity of the government employees is very low (Assam Thibune, 11 Sept/99) অৰ্থাৎ ৰাজ্যখনৰ প্ৰশাসনিক ব্যৱস্থাত থকা বৰ্তমান আকাৰ প্ৰকৃততে প্ৰয়োজন আছে নে, য'ত উৎপাদনশীলতাত চৰকাৰী কৰ্মচাৰীৰ অৰিহণা অতি নগণ্য। এই কথাখিনিৰে তেওঁ নিশ্চয় প্ৰশাসনিক ব্যৱস্থাৰ আকাৰ হ্ৰাস কৰাৰ কথা কোৱা নাছিল, কেৱল চৰকাৰী কৰ্মচাৰীৰ উৎপাদনশীল কৰ্মসংস্কৃতিৰ কথাহে কৈছিল। কিয়নো বিনিয়োগৰ বিপৰীতে ফচল উৎপাদনৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰিলে অৰ্থনৈতিক সংকট গুৰুতৰ হৈ পৰে। আমি চৰকাৰী বিভাগ বা কৰ্মচাৰীৰ দ্বাৰা প্ৰত্যক্ষ উৎপাদনৰ কথা কোৱা নাই, ক'বলৈ বিচাৰিছো ৰাজ্যখনৰ জনসাধাৰণৰ বাবে আগবঢ়োৱা সেৱা, যি সেৱাই সৰ্বসাধাৰণ মানুহৰ আৰ্থ-সামাজিক উন্নয়নত সহায় কৰিব পাৰে, যি ৰাজ্য বা দেশৰ প্ৰগতিৰ মূল চালিকা শক্তি। দেশ বা ৰাজ্য এখনৰ জনকল্যাণমূলক আঁচনি বা কাম-কাজৰ মূল উদ্দেশ্যও সেয়াই। কিন্তু তেনে সেৱামূলক কাম-কাজ সম্পাদন কৰিবলৈ বিভাগ অনুসৰি পৰিৱেশৰো প্ৰয়োজন। তেনে পৰিৱেশ সৃষ্টি বা কৰ্ম পদ্ধতি উলিয়াই দিয়াৰ দায়িত্ব চৰকাৰৰ বা বিভাগীয় কৰ্তৃপক্ষৰ। ইয়াৰ বাবে সুনিৰ্দিষ্ট কৰ্ম আঁচনি বা কৰ্মপদ্ধতিৰ আৱশ্যক। আমি প্ৰত্যক্ষ কৰিছো তেনে কৰ্ম পদ্ধতি থকা সত্ত্বেও বহু বিভাগৰ মুৰব্বীৰ অদক্ষতাত অথবা বিষয়া-কৰ্মচাৰীৰ হেমাহিত চৰকাৰী কাম-কাজ বুমেৰাং হৈ পৰে। এনেদৰেই চলি আছে চৰকাৰী কৰ্ম-সংস্কৃতি।

অসমৰ প্ৰশাসনিক ব্যৱস্থাত অৰ্থনৈতিকভাৱে ভাৰসাম্যহীন অৱস্থা এটা বহু দিনৰ পৰাই চলি আছে। অসমৰ প্ৰায় চাৰি লাখ কৰ্মচাৰীৰ বাবদ ৰাজ্যিক চৰকাৰৰ বাৰ্ষিক বাজেটৰ এক বুজন অংশ ধন কেৱল দৰমহাৰ বাবে প্ৰয়োজন। এটা সময়ত পূৰ্বৰ এজিপি বা কংগ্ৰেছ চৰকাৰৰ দিনত কেন্দ্ৰীয় চৰকাৰৰ ঋণৰ টকাৰে কৰ্মচাৰীৰ দৰমহা দিব লগা হৈছিল। আনকি সেইখিনি সময়ত বাজেটৰ ২০ শতাংশ ধন কেৱল ঋণৰ সুদ পৰিশোধতে ব্যয় কৰিব লগা হৈছিল। এনে পৰিস্থিতিৰ কথা হয়তো বহুতৰে মনত আছে। তেনে সমস্যা আৰু শংকাৰ পৰা ৰাজ্যখনে বৰ্তমানেও মুক্ত হৈছে বুলি ক'ব নোৱাৰি।

বৰ্তমান সময়ত নিবনুৱা সমস্যাই গোটেই ভাৰতবৰ্ষতে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। জনসংখ্যাৰ অভাৱনীয় বৃদ্ধি, শিল্প উদ্যোগৰ সংকুচিত পৰিসৰ, ৰাজহুৱা খণ্ডত নিয়োগৰ ক্ৰমহ্ৰাসমান পৰিস্থিতি ইত্যাদিয়ে নিবনুৱা সমস্যাক সমাধানহীন কৰি তুলিছে। এই ভয়াৱহ সমস্যাৰ মূল কাৰণটোৱেই হৈছে জনসংখ্যা বৃদ্ধি। আনহাতে, প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰেও এই সমস্যাক ভয়াৱহ কৰি তোলাত অৰিহণা যোগাইছে। প্ৰযুক্তিবিদ্যা আৰু যন্ত্ৰৰ সহায়ত ১০ জন মানুহৰ কাম এজনেই কৰিব পৰা হৈছে। কৃষি আৰু অন্যান্য স্বনিৰ্ভৰশীল কুটিৰ শিল্প উদ্যোগত নৱ প্ৰজন্মৰ অনীহা আদিয়েও সমস্যাত সাৰপানী যোগাইছে। শ্ৰম বিমুখিতাৰে আৰামপ্ৰিয় জীৱন যাপনৰ প্ৰতি মানুহ আকৃষ্ট হৈছে। বৃত্তিমুখী আৰু কাৰিকৰী শিক্ষা ব্যৱস্থাৰ সীমিত প্ৰচলনে শিক্ষাৰ্থীসকলক কেৱল একোটা ডিগ্ৰী লাভ কৰাতহে সহায় কৰিছে আৰু কেৱল চাকৰিমুখী কৰি তুলিছে। সামাজিক পৰিমণ্ডলত বৃত্তিগত পেছাক মৰ্যাদা বা গুৰুত্ব নিদিয়া মানসিকতাও কম জগৰীয়া নহয়। শেহতীয়াকৈ অসম চৰকাৰে বৃত্তিগত আৰু কাৰিকৰী শিক্ষাক গুৰুত্ব দি টাটা গ্ৰুপ'ৰ সহযোগিতাত ৰাজ্যখনত ৩৪ খন পলিটেকনিক প্ৰতিষ্ঠান আৰু ৪৩ খন উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন বা উন্নীতকৰণৰ বাবে চুক্তিবদ্ধ হৈছে। এই সন্দৰ্ভত ২০২২ৰ ১১ মে'ত টাটা টেকন'লজী আৰু অসম চৰকাৰৰ প্ৰতিনিধিৰ মাজত চুক্তি স্বাক্ষৰিত হৈছে। এই আঁচনিত টাটা গ্ৰুপে ২৩৯০ কোটি টকা বিনিয়োগ কৰাৰ প্ৰস্তাৱ কৰিছে। চৰকাৰৰ এই পদক্ষেপ প্ৰশংসনীয়। প্ৰস্তাৱিত এই আঁচনি সফল হোৱাটো সকলোৱে বাঞ্ছা কৰিছে।

উল্লেখ্য যে নিবনুৱা সমস্যা আৰু ভাৰসাম্যহীন অৰ্থনৈতিক দুৰৱস্থাৰ মাজতো চৰকাৰে নতুনকৈ এক লাখ নিবনুৱাক চৰকাৰী চাকৰিত নিযুক্তি দিয়াৰ যো-জা কৰিছে। নিবনুৱা সমস্যা কিছু লাঘৱ কৰাৰ স্বাৰ্থত এই পদক্ষেপ আদৰণীয়। এইসকলৰ বাবে মাহেকত প্ৰায় ২০০ৰ পৰা ৩০০ কোটি টকাৰ প্ৰয়োজন হ'ব। এই বৃহৎ পৰিমাণৰ ধন ৰাজ্যখনৰ ৰাজহেৰে মোকাবিলা কৰিবলৈ সমৰ্থ হ'ব নে? ৰাজনৈতিক স্বাৰ্থজড়িত কিছু আঁচনিৰ বাবে বিশেষকৈ অনুদানমুখী আঁচনিৰ বাবে চৰকাৰৰ ৰাজহৰ সিংহভাগ অনাকাংক্ষিতভাৱে খৰচ কৰিব লগা হৈছেই। এনে পৰিস্থিতিয়ে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাক আৰু অধিক ভাৰসাম্যহীন কৰি তুলিব। নতুনকৈ নিযুক্তি পাব লগা কৰ্মচাৰী সমাজৰ সেৱাক কেনেদৰে ব্যৱহাৰ কৰিব? কৰ্ম-সংস্কৃতিৰ পয়ালগা অৱস্থাত এইসকলৰ হাতত কি এনে যাদুদণ্ড তুলি দিয়া হ'ব যিয়ে বিধ্বস্ত অৰ্থনীতিক পুনৰ উদ্ধাৰ কৰিব? এনেবোৰ প্ৰশ্নৰ উত্তৰত চৰকাৰৰ কৰিব লগা কাম বহুত আছে। নিবনুৱা সমস্যা আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানৰ বাবে দেশৰ বহুকেইখন ৰাজ্যই পদ মানি থকা সত্ত্বেও নিয়োগ কৰিবলৈ সাহস কৰা নাই। আনকি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগত প্ৰায় ৩০ লক্ষ পদ হেনো খালী আছে। নিযুক্তি দিবলৈ সাহস কৰা নাই। বিপৰীতে ৰেল, বাছ, বেংক আদিৰ দৰে সেৱাসমূহক পৰ্যায়ক্ৰমে ব্যক্তিগতকৰণৰ দিশলৈ নিবলৈ ধৰিছে। এনে পৰিণামৰ বাবে কেৱল ভাৰতেই নহয়, পৃথিৱীৰ বহু দেশেই উদ্বিগ্ন হৈ পৰিছে। ইয়াৰ মূল কাৰণটোৱেই হৈছে— জনসংখ্যা বৃদ্ধিৰ ভয়াৱহতা আৰু সম্পদ সৃষ্টিৰ সীমাবদ্ধতা। এনে পৰিস্থিতিত নতুন নিয়োগৰ সমান্তৰালকৈ সম্পদ সৃষ্টিৰ কৌশলো প্ৰয়োগ কৰিব লাগিব। ইয়াৰ ব্যতিৰেকে হয়তো বিকল্প পথ নাথাকিব।

নানা সমস্যাৰে ভাৰাক্ৰান্ত ৰাজ্যখনৰ শাসনৰ ভাৰ লোৱা ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে এক লাখ নিবনুৱাক চাকৰিত নিয়োগ কৰিবলৈ লোৱা সিদ্ধান্ত প্ৰশংসনীয়। বিশেষকৈ ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হিচাপে লোৱা সিদ্ধান্ত এক সাহসী পদক্ষেপ বুলি ক'বই লাগিব। কিছু ব্যতিক্ৰম চিন্তা আৰু কৰ্মৰে দায়িত্ব পালন কৰা মুখ্যমন্ত্ৰীজনক সাধুবাদ দিবই লাগিব; কিন্তু বৰ্তমান সময়ত প্ৰচলিত চৰকাৰী বিভাগ আৰু কৰ্মচাৰীৰ কৰ্মসংস্কৃতি আৰু ভাৰসাম্যহীন অৰ্থনৈতিক বোজা সন্দৰ্ভত কিছু ব্যতিক্ৰমী কৌশল প্ৰয়োগ কৰাটো খুবেই প্ৰয়োজন। ড° হিমন্ত বিশ্ব শৰ্মাৰ কৰ্মদক্ষতাৰ ওপৰত আস্থা ৰাখি আমি আশ্বস্ত হ'ব পাৰোনে—চৰকাৰে সমাধানৰ পথ এটা বিচাৰি পাব? য'ত চৰকাৰী বিভাগ আৰু কৰ্মচাৰী সমাজৰ মাজত এক উৎসাহজনক পৰিৱেশে বিৰাজ কৰিব আৰু কৰ্মসংস্কৃতিৰ এক সুস্থ বাতাবৰণ গঢ়ি উঠিব। বৰ্তমান অসমত নিবনুৱাৰ সংখ্যা প্ৰায় ৩০ লাখ। সকলোকে চৰকাৰী চাকৰিত নিয়োগ কৰাটো কোনোদিনেই সম্ভৱ নহ'ব, কিন্তু কৰ্ম বিমুখিতাৰ বিপৰীতে এক স্বনিৰ্ভৰশীল কৰ্মসংস্কৃতিৰ পৰিৱেশ সৃষ্টি কৰাটোৱেই হ'ব আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ। বৃত্তিগত শিক্ষা আৰু কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান স্থাপন বা উন্নীতকৰণৰ বাবে শেহতীয়াকৈ লোৱা চৰকাৰৰ উদ্যোগে এই ক্ষেত্ৰত আশাৰ বতৰা কঢ়িয়াই আনিছে আৰু এই প্ৰচেষ্টা সফল হোৱাটো সকলোৱে কামনা কৰিছে।

*ফোন ঃ ৮৮৭৬১-৭০৫৯১*

## গুণাভিৰাম বৰুৱাৰ

# ৰামনৱমী

## এখন উচ্চমানৰ ট্ৰেজেডি



ড° আনন্দ বৰমুদৈ

**প্ৰথম** অসমীয়া ট্ৰেজেডি নাটক ৰামনৱমী এখন উন্নতমানৰ ট্ৰেজেডি নাটক। এই নাট্যকাৰজন নাটকৰ তত্ত্বৰ লগত সুপৰিচিত আছিল বুলি তেওঁৰ সমালোচনাৰ পৰা গম পাব পাৰি। অসমীয়া নাট্য সাহিত্যত সমালোচক ড° সত্যেন্দ্ৰ নাথ শৰ্মাই লিখিছে, ‘নতুনকৈ আমদানি হোৱা পাশ্চাত্যধৰ্মী নাট বাস্তৱমুখী। সৎ লোকৰো জীৱন যুদ্ধত পৰাজয় ঘটে, সাংসাৰিক সংঘাতত ধ্বংসপ্ৰাপ্ত হয় আৰু অসৎ লোকেও ইহজগতত জয়যুক্ত হৈ সুখে-সন্তোষে কাল কটায়। পাশ্চাত্য ৰীত্যনুসৃত নাট সেই কাৰণে ‘আদৰ্শ নীতিৰ অন্ধ অনুগামী নহয়।’(পৃঃ১০৫) নাটকৰ তত্ত্বৰ লগত জড়িত এই উক্তি গুৰুত্বপূৰ্ণ। সৎ লোক ধ্বংসপ্ৰাপ্ত হোৱা আৰু অসৎ লোকে সুখে-সন্তোষে জীয়াই থকা কথা বাস্তৱ জীৱনৰ সত্য হ’ব পাৰে, কিন্তু নতুনকৈ আমদানি হোৱা পাশ্চাত্যধৰ্মী নাটকত বাস্তৱক সেই ধৰণেৰে প্ৰতিনিধিত্ব কৰা হয় জানো? কোনো নাটকৰ তত্ত্বই বোধহয় তেনে কথা সমৰ্থন নকৰে। দুষ্ট মানুহক জয়যুক্ত কৰি আৰু ভাল মানুহক ধ্বংস হোৱা দেখুৱালে সেইখন কেনেধৰণৰ নাটক হ’ব? ধ্বংসৰ কথাটো উল্লেখ কৰালৈ চাই ড° শৰ্মাই ট্ৰেজেডি নাটকৰ কথা মনত ৰাখি উক্তিটো কৰা যেন লাগে। কিন্তু ট্ৰেজেডি নাটকত নায়ক বা নায়িকা ধ্বংসপ্ৰাপ্ত হ’লেও দুষ্ট মানুহক সুখে-সন্তোষে জীয়াই থকা দেখুওৱা নহয়। কোনো ভাল নাটকে অসৎ লোকৰ জয় আৰু ক্ষমতাৰ গুণগান নকৰে। পশ্চিমীয়া নাট্যতত্ত্বৰ আদিগ্ৰন্থ এৰিষ্টটলৰ পয়েটিক্‌ছত এই কথা আলোচনা কৰা হৈছে।

ট্ৰেজেডি নায়কৰ বিষয়ে এৰিষ্টটলে পয়েটিক্‌ছত কৈছে যে তেওঁ বিশেষভাৱে সৎ বা মহৎ লোক নহয়, মহৎ ন্যায় পৰায়ণো নহয়, তথাপি তেওঁৰ দুৰ্ভাগ্য আৰু দুৰ্যোগৰ কাৰণ তেওঁ কৰা পাপ কাম অথবা কোনো বিকৃতিৰ পৰা নাহে। আহে বিচাৰত থকা ত্ৰুটি বা দুৰ্বলতাৰ পৰা। ট্ৰেজিক নায়ক উন্নতিশীল আৰু সফল মানুহ হ’ব লাগিব। ট্ৰেজেডিৰ নায়ক বা নায়িকাৰ যন্ত্ৰণা আৰু কৰুণ পৰিসমাপ্তিৰ বিষয়ে কোৱা হৈছে যে সৎ আৰু গুণীলোকৰ জীৱনলৈ উন্নয়নশীল সফল অৱস্থাৰ পৰা দুৰ্দশালৈ সলনি হ’লে নাটকখন ট্ৰেজিক নহ’ব। তেনে পৰিৱৰ্তনে দৰ্শকক নৈতিক আঘাতহে দিব। ঘটনাচক্ৰই অসৎ মানুহ এটাৰ জীৱন দুৰ্দশাৰ পৰা উন্নয়নশীল সফল অৱস্থালৈ পৰিৱৰ্তিত হোৱা দেখুৱালেও নাটক ট্ৰেজিক হ’ব নোৱাৰে। এনেবোৰ ঘটনা ট্ৰেজিক হ’ব নোৱাৰাৰ কাৰণ হ’ল ইবিলাকে দৰ্শকৰ মনত পুতৌ আৰু ত্ৰাসৰ উদ্ৰেক কৰিব নোৱাৰে।


প্ৰথম আধুনিক অসমীয়া নাটক আৰু ট্ৰেজেডি হিচাপে ৰামনৱমী নাটকখনৰ এটা ঐতিহাসিক গুৰুত্ব আছে। কিন্তু নাটকখনৰ গুৰুত্ব ইয়াৰ কলাগুণৰ ফালৰ পৰাও কম নহয়। ইয়াৰ সমালোচনাইহে নাটকখনৰ গুৰুত্ব বহু পৰিমাণে হ্ৰাস কৰিছে। সমালোচকসকলে নাটকখনৰ এটা দিশৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা যায়। তেওঁলোকে ইয়াৰ কলাগুণক আওকাণ কৰে। সমালোচকসকলে কয় যে নাটকখন প্ৰচাৰধৰ্মী। কিন্তু প্ৰচাৰধৰ্মী যদি হয়ো ইয়াৰ প্ৰচাৰধৰ্মিতাই কলাগুণক কিদৰে তল পেলাইছে সেই কথা আলোচনা কৰা নহয়। প্ৰখ্যাত সমালোচকসকলে কৰা সমালোচনাই নাটকখনৰ প্ৰতি সম্পূৰ্ণ ন্যায়বিচাৰ কৰা নাই।

নাটকখনৰ পঞ্চম অংকৰ দ্বিতীয় দৰ্শনত মহাজনে নৱমীৰ দেউতাক শিৱকান্তৰ ঘৰত চাট মাৰিছে আৰু পাঁচশ টকা দিলেহে দায় ভাগিব বুলি বিচাৰৰ ৰায় দিছে। তাৰ পাছৰ তৃতীয় দৃশ্যত নৱমীয়ে আত্মহত্যা কৰিছে। চতুৰ্থ দৃশ্যত ৰামচন্দ্ৰই আত্মহত্যা কৰিছে। পঞ্চম আৰু শেষ দৃশ্যত মহাজনে অনুতাপ কৰিছে সপোন দেখাৰ পাছত । এই শেষৰ দৃশ্যটো নাটকৰ আচলতে উপ-সংহাৰ। নৱমী আৰু ৰামচন্দ্ৰৰ আত্মহত্যাৰ কাৰণে মহাজনে নিজক জগৰীয়া কৰি অনুশোচনা কৰিছে। ৰাম আৰু নৱমীৰ নাটকখন অথবা সেই কাহিনীটো চতুৰ্থ দৃশ্যতে ৰামৰ আত্মহত্যাৰ লগে লগেই শেষ হৈছে উপসংহাৰ সদৃশ পঞ্চম দৃশ্যত ঘটা ঘটনাই মূল নাটকখনৰ শিল্প ৰূপটোক অথবা গাঁথনিক নিৰ্ণয় নকৰে। সমালোচকসকলে মহাজনে সপোনত দেখা বুঢ়া মানুহজনক ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ বুলি অনুমান কৰিছে। সমালোচকে অনুমান সেইদৰে কৰিব পাৰে, কিন্তু নাট্যকাৰে যিহেতু সপোনৰ মানুহজন কোন তাক নাটকত উল্লেখ কৰা নাই আৰু তেওঁ সপোনতহে দেখা দিছে, সপোনৰ মানুহজনক অন্য ধৰণেৰেও ব্যাখ্যা কৰি নাটকখনৰ পাঠোদ্ধাৰ কৰা সম্ভৱ। মহাজনে সপোনত দুজন মানুহ অহাৰ কথা উল্লেখ কৰিছে। তাৰে এজন বুঢ়া আৰু আনজন আদবয়সীয়া! ‘তাতে এটা অতি বুঢ়া বামুণ। গায়েগতিয়ে চুটি চাপৰকৈ, আদবয়সীয়া বঙালী বামুণ এটা লগত লৈ আহি মোক ক’লে—’এই আদবয়সীয়া বঙালী বামুণজন কোন?

ড° সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া নাট্য সাহিত্যত লিখিছে, ‘গুণাভিৰাম বৰুৱাৰ ৰামনৱমী নাটকেই আধুনিক অসমীয়া নাট্য সাহিত্যৰ প্ৰথম গহীন সামাজিক নাটক। এওঁলোকৰ শোকাৱহ মৃত্যুৱে সমাজৰ মুখিয়ালসকলক বাল্য বিধৱাৰ সমস্যা সম্পৰ্কে ভাবিবলৈ বাধ্য কৰে আৰু অতি পলমকৈ হ’লেও বিধৱা বিৱাহৰ যুক্তিযুক্ততা মানি লয়। নাটকখনত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ বিধৱা বিৱাহ সমৰ্থনৰ উল্লেখ পোৱা যায়।

পঞ্চম অংকৰ প্ৰথম দৰ্শনত নৱমীৰ মাক ফুলেশ্বৰীয়ে বিদ্যাসাগৰক মনত উল্লেখ কৰিছে আৰু শেষ অংকৰ পঞ্চম দৰ্শনত সত্ৰীয়া মহাজনক স্বপ্নত দেখা দিয়া বিধৱা বিবাহ সমৰ্থনকাৰী বুঢ়া মানুহজন আন কোনো নহয়—বিদ্যাসাগৰ (পৃঃ২৬০-৬১) সমালোচকজনে উল্লেখ কৰাৰ দৰে পঞ্চম অংকৰ প্ৰথম দৰ্শনত নৱমীৰ মাকে বিদ্যাসাগৰৰ প্ৰসংগ উল্লেখ কৰিছে হয়, কিন্তু নাটকখনৰ কেন্দ্ৰীয় বিষয় বিদ্যাসাগৰৰ বিধৱা বিৱাহ নহয়। ৰাম আৰু নৱমীৰ প্ৰেম সম্পৰ্ককহে নাটকৰ কেন্দ্ৰত ৰখা হৈছে। এই প্ৰেম সম্পৰ্কক নাট্যকাৰে যি সাহস আৰু কাব্যিক শক্তিৰে মঞ্চত দাঙি ধৰিছে সি অসমীয়া নাট্য সাহিত্যতে অতুলনীয়।

গুণাভিৰাম বৰুৱা নাটকৰ তাত্ত্বিক দিশৰ লগত সুপৰিচিত আছিল। ড° হৰিচন্দ্ৰ ভট্টাচাৰ্যই অসমীয়া নাট্য সাহিত্যৰ জিলিঙনিত ৰামনৱমীৰ নিৰ্মাণত শকুন্তলা নাটকৰ প্ৰভাৱৰ কথা উল্লেখ কৰিছে। এই প্ৰভাৱে নিশ্চয় অসমীয়া নাট্যকাৰজনৰ সৃজনী প্ৰতিভাক সগৰ্ভা কৰিছিল। সমালোচকসকলে উল্লেখ নকৰিলেও ৰামনৱমী নাটকত গ্ৰীক ট্ৰেজেডি নাটকৰ প্ৰভাৱ মনকৰিবলগীয়া। এৰিষ্টটলে পয়েটিক্‌ছত ট্ৰেজেডিৰ সংজ্ঞা দাঙি ধৰি কাহিনীৰ যি মৰ্যাদাৰ কথা কৈছিল, সেই মৰ্যাদা ৰামনৱমীত বৰ কৌশলেৰে গঢ়ি তোলা হৈছে। নাটকখনৰ সমালোচনাত ড° সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে, আজলী, অল্পশিক্ষিতা আৰু অনভিজ্ঞা নৱমীয়ে শাস্ত্ৰীয় যুক্তি অৱতাৰণা কৰি বিধৱা বিৱাহৰ সপক্ষে ওকালতি কৰা কাৰ্যটো স্বাভাৱিক হোৱা নাই। (পূঃ উঃ গ্ৰ পৃঃ ২৬৯) ৰামনৱমী এখন নাটক। নাট্যকাৰে ইয়াত কেৱল ঐতিহাসিক সত্যহে লিপিবদ্ধ কৰিব লাগিব বুলি কথা নাই। প্লেট’




আৰু এৰিষ্টটলৰ মাজত এই বিষয় লৈ তাহানিতেই বিতৰ্ক হৈছিল। প্লেট’ই তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ পৰা কবিক আঁতৰ কৰাৰ কাৰণ আছিল কবিয়ে কাল্পনিক কথাৰে মানুহৰ মনক অশান্ত কৰিছিল। সেইবাবে কবিয়ে কোৱা কথা তেওঁ বাস্তৱৰ পৰা দুঢাপ আঁতৰৰ বুলি কৈছিল। কবি কল্পনাৰ সমৰ্থনত এৰিষ্টটলে কৈছিল যে কবিয়ে ঘটি যোৱা ঘটনাক লৈয়ো লিখিব পাৰে, কিন্তু তেওঁৰ কল্পনা সম্ভাৱনীয়তা সূত্ৰৰ দ্বাৰা পৰিচালিত হয়। ৰামনৱমী নাটকত নৱমীৰ বাল্য বিৱাহ আৰু বিধৱা বিৱাহ সম্পৰ্কীয় চিন্তাক সম্ভাৱনীয়তা সূত্ৰৰ আধাৰত পৰীক্ষা কৰিব পাৰি। মানুহে জীৱনত সকলো সিদ্ধান্ত শাস্ত্ৰ বা কিতাপ পঢ়ি নলয় আৰু লোৱাৰ প্ৰয়োজনো নাই। সাধাৰণ জ্ঞানেৰে আৰু প্ৰবৃত্তিগতভাৱেও মানুহে ভুল আৰু শুদ্ধক বিচাৰ কৰিব পাৰে। যি সামাজিক ৰীতিৰ লগত নৱমীৰ জীৱন সাঙোৰ খাই পৰি জীৱনৰ সকলো অৰ্থ আৰু উদ্দেশ্য ধ্বংস হ’বৰ উপক্ৰম হৈছে সেই বিষয়ত শাস্ত্ৰৰ উল্লেখ অপ্ৰাসংগিক নহ’বও পাৰে। অল্পশিক্ষিত নালাগে, অশিক্ষিত মানুহেও শাস্ত্ৰৰ উল্লেখ কৰিব পাৰি। প্ৰথম অংকৰ প্ৰথম দৰ্শনত নৱমীয়ে পঢ়িবলৈ শিকাৰ কথা মাকক কৈছে।

দ্বিতীয় অংকৰ তৃতীয় দৰ্শনত নৱমীয়ে শাস্ত্ৰৰ প্ৰসংগ এটা আনিছেঃ ‘এজন পতি মৰিলেই যে আন এজন পতি হ’ব নোৱাৰে ই কোনো কোনো শাস্ত্ৰত আছে।’ থাকিলে কি হয়। শাস্ত্ৰনো কি? ঈশ্বৰৰ নিয়মৰ ওপৰত কোনো শাস্ত্ৰ নাটকৰ তত্ত্ব আৰু শ্ৰেণীবিভাগ সম্পৰ্কে সচেতন আছিল। সমালোচকসকলে কোৱাৰ দৰে তেওঁ যদি বিধৱা বিৱাহৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ নাটক এখন লিখাৰ প্ৰয়োজন বোধ কৰিছিল, তেতিয়াহ’লে ৰাম নৱমীৰ দৰে ট্ৰেজেডি নাটক নিলিখি লঘু কমেডি অথবা প্ৰহসন নাটক এখন লিখিলেহেঁতেন। সমাজ সংস্কাৰ কৰিবলৈ লিখা নাটক সাধাৰণতে হাস্য ব্যংগৰ প্ৰহসন নাটক হয় বুলি তেওঁৰ সমসাময়িক হেমচন্দ্ৰ বৰুৱাতে দেখা পাব পাৰি। সামাজিক আচাৰ অনুষ্ঠান, মূল্যবোধ, বিশ্বাস আদিক অবিৰাম আক্ৰমণ কৰি নাটক লিখা প্ৰখ্যাত নাট্যকাৰ জৰ্জ বাৰ্ণাৰ্ড শ্বৰ সৰহ সংখ্যক নাটকেই প্ৰহসন নাটক। বেজবৰুৱা আৰু গোহাঞিও বৰুৱাৰ ধেমেলীয়া প্ৰহসন নাটকবোৰৰে পাঠকৰ ওপৰত প্ৰভাৱ বেছি।

ইবচেনৰ এডলছ হাউছ (১৮৭৯) আৰু গউষ্টছ (১৮৮২) নাটকত নাৰী দৃষ্টিকোণৰ পৰা সামাজিক সমস্যা কেতবোৰ দাঙি ধৰা হৈছে। দুয়োখন নাটক বিখ্যাত ট্ৰেজেডি। কিন্তু নাটক দুখন প্ৰচাৰধৰ্মী নহয়। ৰামনৱমীৰ বিষয় সমাজ জীৱনক অসুস্থ কৰা বিষয় এটা বুলি নাট্যকাৰে আঠ পৃষ্ঠাত চাওক

# দ্যাট ইভিনিং ছান আৰু কৃষ্ণাংগ নাৰীৰ দুখ

**আমেৰিকীয়** কৃষ্ণাংগ সাহিত্যই বিশ্ব সাহিত্যত এক আছুতীয়া ঠাই অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ইয়াত আমেৰিকীয় কৃষ্ণাংগসকলে তেওঁলোকৰ নিজৰ জীৱন অথবা তেওঁলোকৰ সমগোত্ৰীয়সকলৰ জীৱনক লৈ সাহিত্য সৃষ্টি কৰি তেওঁলোকৰ মনোবেদনা আৰু নিষ্পেষণৰ কাহিনী বিশ্বৰ আগত দাঙি ধৰাটোৱেই যেন সেই কৃষ্ণাংগ লেখকসকলৰ উদ্দেশ্য হৈ পৰিছিল। তেওঁলোকৰ সেই একাণপতীয়া প্ৰয়াসে অন্যান্য লেখক-সাহিত্যিককো অনুপ্ৰাণিত কৰিছিল। তাৰ ভিতৰত অনা-কৃষ্ণাংগ লেখক-সাহিত্যিকো আছিল। তেনে এগৰাকী অনা-কৃষ্ণাংগ লেখক আছিল উইলিয়াম ফক্‌নাৰ যিগৰাকী লেখক ১৯৪৯ৰ বাবে আগবঢ়োৱা সাহিত্যৰ ন’বেল বঁটা প্ৰাপক আছিল। তেওঁৰ কেতবোৰ ৰচনাত দক্ষিণ আমেৰিকাৰ কৃষ্ণাংগসকলে ভোগ কৰা দুৰ্ভোগৰ মৰ্মস্পৰ্শী বিৱৰণ আছিল। মূলতঃ সৃষ্টিশীল লেখক ফকনাৰে কোনোধৰণৰ আঁৰ-বেৰ নোহোৱাকৈ সেই দুৰ্ভগীয়া গোটটোৰ আৰ্তবেদনা মৰ্মে মৰ্মে উপলব্ধি কৰি তাক নিজৰ সৃষ্টিৰ জীৱন্ত ৰূপ প্ৰদান কৰিছে।

এফালে তেওঁলোকৰ বিশ্বাস-পৰম্পৰা আৰু আনফালে খ্ৰীষ্টধৰ্মৰ পৱিত্ৰ শিকনি -- এই সকলোবোৰৰ সমাহাৰত যেন সেই বিশেষ গোটটোৰ আস্থা, নিষ্ঠা আৰু বিশ্বাস গঢ় লৈছিল। গল্পটো যিছোৱা সময়ৰ পৃষ্ঠভূমিত ৰচিত হৈছিল সেই সময়ছোৱাত এই দুৰ্ভগীয়া শ্ৰেণীটোৰ বাবে সামাজিক ন্যায় বা মৌলিক অধিকাৰ বোলা কোনো কথা নাছিল। সেই পৰিচয়েই আছিল- তেওঁলোক তেওঁলোকতকৈ ‘শ্ৰেষ্ঠ’, ‘ভাগ্যৱান’। বগাছালৰ লোকসকলৰ ‘নিকিনা গোলাম’ আছিল যাক তেওঁলোকৰ ‘প্ৰভু’ বগাছালৰ ভদ্ৰলোকসকলে যেনেদৰে মন যায় তেনেদৰে পৰিচালিত (ব্যৱহাৰ) কৰিব পাৰিছিল। তেওঁলোক জীয়াই আছিল ঠিকেই। পিছে সেই জীৱন ‘নৰকবাস তুল্য’ জীৱন আছিল। তাৰ অলেখ উদাহৰণ পোৱা যায়। ফকনাৰৰ এই বিশেষ গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ কৃষ্ণাংগী নেঞ্চিয়েও তেনে কেতবোৰ নাৰকীয় অভিজ্ঞতাৰ মাজেদি পাৰ হ’বলগীয়া হৈছে।

তৃতীয় পুৰুষত বৰ্ণিত হোৱা এই গল্পটোৰ কথকগৰাকী এজন যুৱক। তেওঁ পোন্ধৰ বছৰ পূৰ্বৰ স্মৃতি ৰোমন্থন কৰি তেওঁলোকৰ ঘৰৰ কাপোৰবোৰ ধুই দিয়া নেঞ্চি নামৰ কৃষ্ণাংগী নাৰীগৰাকীৰ জীৱন কাহিনী বিবৃত কৰিছে। বিংশ শতিকাৰ প্ৰাৰম্ভৰ আমেৰিকাত কৃষ্ণাংগসকলে নৰকসদৃশ জীৱন যাপন কৰিছিল। নেঞ্চি আৰু তাইৰ গিৰীয়েক যীচাচ তাৰ ব্যতিক্ৰম নহয়। উগ্ৰ স্বভাৱৰ যীচাচ প্ৰায়েই আইনৰ মেৰপাকত সোমাই পৰিছিল আৰু শাস্তি ভোগ কৰিছিল। অপৰাধসুলভ মানসিকতাৰ যীচাচে নেঞ্চিৰ প্ৰতিও কঠোৰ ভাব পোষণ কৰিছিল। এমুঠি অন্নৰ বাবেই হওক বা বগা চামৰাৰ পুৰুষৰ লালসাৰ বলি হোৱাৰ বাবেই হওক নেঞ্চিয়ে অবাঞ্চিত গৰ্ভধাৰণ কৰিছিল। গিৰ্জাৰ পুৰোহিতৰ পাচনি

### সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন




(Deacon) মিষ্টাৰ ষ্টোভেল নেঞ্চিৰ সৰ্বনাশৰ মূল আছিল। কথকৰ বিৱৰণি মতে নেঞ্চিক ‘পণ্য’ হিচাপে ব্যৱহাৰ কৰাৰ পিছত তাৰ ‘মূল্য’ নিদিয়াৰ বাবে নেঞ্চিয়ে তেওঁক তাৰ মূল্য বিচাৰিছিল। মিষ্টাৰ ষ্টোভেলে নেঞ্চিৰ মুখত গুৰিয়াই তাইৰ দাঁত ভাঙি দিছিল আৰু পুলিচে তাইকহে পাছত ফাটেকত আৱদ্ধ কৰি ৰাখিছিল। ফাটেকত তাই আত্মহত্যাৰ চেষ্টা চলাইছিল যদিও ফাটেকৰ বিষয়াই তাইক তেনে কৰাৰ পৰা বিৰত ৰাখিলে। তাইক তাইৰ সেই ‘অপৰাধ’ৰ বাবে ফাটেকত মাৰধৰ কৰা হৈছিল। তাইক যেন বগা চামৰাৰ মানুহৰ বীজ গৰ্ভত ধাৰণ কৰাৰ বাবেই সেই ‘শাস্তি’ প্ৰদান কৰা হৈছিল।

গিৰীয়েক যীচাচে সেই অবাঞ্চিত গৰ্ভধাৰণৰ বিষয়ে গম পোৱাৰ পিছত তাই শংকাবোধ কৰিলে কাৰণ উগ্ৰ মেজাজী গিৰীয়েকে তাইক সেই ‘অপৰাধ’ৰ বাবে হত্যা কৰাটো নিশ্চিত।

কথক সেই সময়ছোৱাত এটি সৰু ল’ৰা। তেওঁৰ ভাতৃ আৰু ভগ্নী এগৰাকী আছিল। তেওঁলোকক নেঞ্চিয়ে সাধু শুনাইছিল। তেওঁলোকৰ ঘৰৰ ৰন্ধা-বঢ়া কৰা লিগিৰীগৰাকী অসুস্থ হৈ থকাৰ বাবে নেঞ্চিয়েই তেওঁলোকৰ ৰন্ধা-বঢ়া কাম কৰিছিল। কিন্তু প্ৰতি নিশা নেঞ্চিক তাইৰ পঁজাঘৰলৈ কথকৰ দেউতাকে আগবঢ়াই দিবলগীয়া হৈছিল। তাইৰ ভয় হৈছিল জানোচা তাইৰ গিৰীয়েকে বাটতে আগভেটি ধৰি তাইক মাৰি পেলায়।

কৈশোৰকালৰ ফালে ক্ৰমশঃ আগবঢ়া এটি সৰু ল’ৰাৰ বাবে বয়সত ডাঙৰ মানুহৰ ভাব-অনুভূতি, ভয়-শংকা-উৎকণ্ঠা সাঁথৰস্বৰূপ। ডাঙৰৰ পৃথিৱীৰ পৰা কণমানিহঁতৰ পৃথিৱী বহুত দূৰৈত। সেইবাবে কণমানিহঁতৰ বাবে সিবিলাকৰ বগাছালৰ পিতৃ-মাতৃয়ে ঘৰত কাম কৰা কৃষ্ণাংগ লগুৱা-লিগিৰীক তুচ্ছ-তাচ্ছিল্য কৰা বা অন্য প্ৰকাৰে অপমানজনক ব্যৱহাৰ কৰাটো তেনেই স্বাভাৱিক কথা আছিল। আনকি কথকে নিজেই ভাই-ভনীকেইটিৰ লগত মিলি নেঞ্চিৰ পঁজাটিলৈ ইটাৰ টুকুৰা মাৰি পঠিয়াইছিল যাতে নেঞ্চিয়ে শব্দ শুনি দুৱাৰখন খুলি দিয়ে আৰু কাম কৰিবলৈ তেওঁলোকৰ ঘৰলৈ আহে। কাৰোবাৰ ঘৰলৈ এনেদৰে ইটাৰ টুকুৰা মৰাটো ভদ্ৰোচিত আচৰণ কদাপি নহয়, অথচ কথক আৰু তেওঁৰ ভায়েক-ভনীয়েকৰ বাবে নেঞ্চি নামৰ কৃষ্ণাংগী লিগিৰীগৰাকীক তেনেকৈ তেওঁলোকৰ ঘৰলৈ আহিবলৈ কোৱাটো তেনেই স্বাভাৱিক কথা আছিল। কাৰোবাৰ ঘৰলৈ তেনেদৰে ইটাৰ টুকুৰা মাৰি পঠিওৱাটো কেনে বিপজ্জনক হ’ব পাৰে সেই কথা কথকে ভবা নাছিল বা ভাবিবলৈ বিচৰাও নাছিল। কথকে ল’ৰালিত দেখা বৰ্ণভেদৰ সেই প্ৰাচীৰখন ইমান নিকপকপীয়া আছিল যে কথকৰূপী সৰু ল’ৰাটোৰ বিবেক-বিবেচনা আৰু আবেগ-অনুভূতিকো বৰ্ণভেদৰ লগত ৰজিতা খুৱাই অৱশ্যম্ভাৱী অজুহাত কৰি লোৱা হৈছে। সেইবাবে কৃষ্ণাংগী মমতাসুলভ মনৰ অধিকাৰী নেঞ্চিৰ মমত্ববোধ কথক আৰু তেওঁৰ ভাই-ভনীকেইটিয়ে উপলব্ধি কৰিব পৰা নাছিল। তদুপৰি সেইবাবেই নেঞ্চিৰ বুকুভেদি ওলাই অহা মৰ্মভেদী বাণী “কৃষ্ণাংগী হৈ জন্ম ধৰাটো মোৰ দোষ নহয়।” (I ain’t nothing but a nigger, it ain’t none of my fault) কথকৰ বাবে সেই সময়ত ই এটা নুবুজা সাঁথৰ আছিল।

তাইৰ গিৰীয়েক যীচাচৰ



অপৰাধপ্ৰৱণতাৰ বাবেও সমসাময়িক বৰ্ণভেদ ব্যৱস্থা বহুলাংশে দায়ী। কোনো মানুহ অপৰাধী হৈ জন্ম লাভ কৰাটো অবাস্তৱ, অকল্পনীয়। তাৰ বাবে সমাজ আৰু সমাজে সৃষ্টি কৰা প্ৰাতিকূল পৰিস্থিতিহে বহুলাংশে দায়ী। যীচাচহঁতৰ নিচিনা ‘অপৰাধী’হঁতো তেনে প্ৰতিকূল পৰিস্থিতিৰে সৃষ্টি। সমাজে সিহঁতৰ নিচিনাবোৰক মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ দিব নোখোজে। সেইখন সমাজৰ প্ৰতি যীচাচৰ তীব্ৰ ক্ষোভ। সেই ক্ষোভৰ বাবে সি নেঞ্চিৰ গৰ্ভত স্থিতিলভা বগা চামৰাৰ কামুক পুৰুষটিৰ জাৰজ সন্তানটিক ধ্বংস কৰিবলৈ উদ্যত হৈছে। সেই জাৰজ সন্তানটিক ধাৰণ কৰা দেহটো তাৰ পত্নীৰ দেহ। সেইবাবে সি সেই বগা চামৰাৰ তথাকথিত ভদ্ৰলোকৰ বীজ ধাৰণকাৰী গৰ্ভক নষ্ট কৰাৰ লগতে সেই দেহৰ গৰাকীনীকো শেষ কৰি দিবলৈ স্থিৰ কৰিছে। সি ব্যক্ত কৰা কথাৰ মাজেদি তাৰ হতাশাবোধ আৰু অসহায়বোধ বাৰুকৈয়ে ফুটি উঠিছেঃ “I can’t hang around white man’s kitchen, but white man can hang around mine. White man can come in my house, but I can’t stop him. When white man wants to come in my house, I ain’t got no house. I can’t stop him, but he can’t kick me outen it. He can’t do that.”


*neevarani11@gmail.com*

## মই মোক এৰি থৈ যাম

**ড° বসন্ত কুমাৰ ভট্টাচাৰ্য**

বাহিৰত এজাক  
প্ৰচণ্ড ধুমুহাৰ তাণ্ডৱ বৰ্তমান  
তাৰ মাজতে ক’ৰ পৰা  
যেন ভাহি আহে  
এজাক চৰাইৰ কলৰৱ  
আৰু বিয়পি পৰে  
মোৰ সত্তাৰ  
বাহিৰ-ভিতৰে

মই মোক এৰি থৈ যাব বিচাৰিছো  
ইয়াত  
চৰাই জাকৰ কলৰৱতে



তুমি যদি কেতিয়াবা এই বাটে অহা  
মোক বিচাৰি  
পাই যাবা ধুমুহাৰ মাজতো  
অতি সহজে

মই নকৰো ভয়  
ধুমুহাৰ যুঁজিবৰ বাবে  
এপলক অকলে’  
ওলমি ৰ’ম  
যুগৰ পৰা যুগলৈ’  
নুলুকাওঁ  
বসুমতীৰ গৰ্ভত কোনো  
— কাললৈ’

## ভালপোৱা বসন্ত

**অনুপ দত্ত**

থোৰ মেলিছে  
বসন্ত বৈভৱে লাহে লাহে,  
কুমলীয়া গোন্ধ এটাই  
মোক ছানিছে।  
সাফালি অহা  
বতাহজাকে মোক ক’লে—  
সকলো কথা..।।

সামৰে বিৰিখে  
গছৰ পাত,  
নকৈ ওলোৱা বাটত  
সেউজীয়া ৰহন।  
মোৰ প্ৰেয়সীৰ  
বুকুত  
নিজানৰ গান..।।

পখিলাৰ বাটেৰে  
আমাৰ যাত্ৰা।




ভালপোৱাৰেইটো  
সেইটো বাট!  
যাৰ নাই  
কোনো শেষ..।।

## দিব্যজ্যোতি নাথৰ

# সপোনে কি দিলে

**নবীন** গল্পকাৰ দিব্যজ্যোতি নাথৰ প্ৰকাশিত গল্প সংকলন ‘সপোনে কি দিলে’ সংকলনখনত আঠটা গল্প সন্নিৱিষ্ট হৈছে। আটাইকেইটা গল্পয়েই অতিমাৰী কালৰ সৃষ্টি। ইয়াৰে প্ৰথম তিনিটা কৰ’নাকেন্দ্ৰিক। অতিমাৰীকালৰ তলাবন্ধকে বিষয়বস্তু হিচাপে লৈ ‘বৰ্ণালীৰ কথাৰে’, ‘ৰঞ্জিতহঁতৰ কথাৰে’, আৰু ‘ভেবেলী আইতাৰ কথাৰে’, শীৰ্ষক গল্প তিনিটা ৰচনা কৰিছে। প্ৰথমটো গল্পৰ নায়িকা বৰ্ণালী চৰকাৰী চিকিৎসালয়ৰ এগৰাকী নাৰ্ছ অৰ্থাৎ ক’ভিড যোদ্ধা। ৰোগীৰ ভুলৰ বাবে বৰ্ণালী এদিন কৰ’নাৰ দ্বাৰা আক্ৰান্ত হয়। কোৱাৰেণ্টাইনত থাকি আৰোগ্য লাভ কৰাৰ পাছততে সমস্যাই দেখা দিয়ে। যিগৰাকী বৰ্ণালীয়ে ঘৰুৱা আৰু চাকৰিৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি আহিছিল সেইগৰাকী মানুহেই পৰিয়ালৰ বাবে অস্পৃশ্য হৈ পৰিল। তাইৰ বাবে ঘৰৰ দুৱাৰ বন্ধ হৈ গ’ল। অৱশেষত আৰক্ষী বিভাগত চাকৰি কৰা স্বামী প্ৰশান্ত নিজেই যেতিয়া কৰ’না আক্ৰান্ত হ’ল তেতিয়াহে নিজৰ ভুল বুজিব পাৰিলে। গল্পটোত কৰ’না কালৰ এক জীৱন্ত ছবি প্ৰকাশ পাইছে।

দ্বিতীয়টো গল্পৰ পটভূমি মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰী




আৱাস। তলাবন্ধৰ বাবে সংকটৰ সন্মুখীন হোৱা আৱাসীসকলক সহায়

**ড° ভূপেন শইকীয়া**

কৰিবলৈ আগবাঢ়ি আহি নিজেই বিপদত পৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ৰঞ্জিতৰ দায়িত্বশীলতাৰ কাহিনী সুন্দৰকৈ বৰ্ণিত হৈছে। অতিমাৰী কালতো হেৰাই নোযোৱা মানৱীয়তাৰ দিশটো গল্পটোত প্ৰকাশ পাইছে।

কৰ’নাৰ ভয়াৱহ দিশ আৰু ছাঁ জীৱনত পৰা ইয়াৰ প্ৰভাৱকে মূল বিষয়বস্তু হিচাপে লৈ তৃতীয়টো গল্পৰ জুমুঠি গল্পকাৰ নাথে তৈয়াৰ কৰিছে। উপস্থাপন আৰু কথনশৈলীৰ ফালৰ পৰা গল্পটো ৰসোত্তীৰ্ণ হৈছে।

‘পাকচক্ৰ’ শীৰ্ষক গল্পটোত আছে এক দাম্পত্য জীৱনৰ কাহিনী? স্বামী-স্ত্ৰীৰ মাজৰ অবিশ্বাস-আস্থাহীনতাৰ কথা ইয়াত বিশ্বাসযোগ্যভাৱে পৰিস্ফুট হৈছে। আনহাতে অসমীয়া গ্ৰাম্য সমাজৰ ৰীতি-নীতি, কুসংস্কাৰৰ, জাত-পাতৰ সংকীৰ্ণতা আদি দিশ ‘ধুমুহাই কোবোৱা পখীৰ দৰে’ শীৰ্ষক গল্পটোত প্ৰকাশ পাইছে।


গল্পৰ বৈশিষ্ট্যৰ দিশৰ পৰা ‘মায়াজালে’ বিশেষত্বৰ দাবী কৰিব নোৱাৰে। কাহিনীকথন আৰু প্ৰকাশভংগী সাধাৰণ গল্পৰ দৰেই। অৱশ্যে সংকলনখনৰ একে নামৰ শেহৰ গল্প দুটা মানবিশিষ্ট। গল্প দুটা আন্তঃসম্পৰ্কিত আৰু পৰিসমাপ্তি ব্যঞ্জনাময়। নাথৰ পৰা ভৱিষ্যতে আৰু অধিক উন্নত মানৰ গল্প আশা কৰিব পৰা যায়।

*ফোন: ৯৪৩৫২২০৬৬৬*

# দুগৰাকী বিশিষ্ট শিক্ষাবিদৰ আত্মকথা

**সম্প্ৰতি** বিভিন্ন জীৱন-যাত্ৰাৰ বয়স্ক মানুহে সমস্ত জীৱনজুৰি আহৰণ কৰা তিতা-মিঠা অভিজ্ঞতাবোৰ আনক বিলাই দিয়াৰ মানসেৰে লিখিবলৈ লোৱা আত্ম-জীৱনীবোৰে উত্তৰ পুৰুষক যে সমৃদ্ধ কৰিব তাত কোনো সন্দেহ নাই। এই লেখা আৰু আকৰ্ষণীয় হয় যদিহে কোনোবা বিশিষ্ট শিক্ষাবিদৰ কলমৰ পৰা সিবোৰ ওলায়।

অলপতে দুগৰাকী বিশিষ্ট শিক্ষাবিদৰ আত্মজীৱনী ওলাইছে য’ত প্ৰকাশ পাইছে, একাগ্ৰতা আৰু অধ্যাৱসায় থাকিলে মানুহে নানা বাধা নেওচিও সফল হ’ব পাৰে। এই দুজনৰ এজন হ’ল বহু বছৰ ধৰি অসম ইঞ্জিনীয়াৰিং কলেজত শিক্ষক, পাছত শিলচৰ আঞ্চলিক ইঞ্জিনীয়াৰিং কলেজৰ অধ্যক্ষ এটা সময়ত অসমৰ কাৰিকৰী শিক্ষাৰ সঞ্চালক আৰু অৱশেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কৰ্মজীৱন সমাপ্ত কৰা ড° নিৰ্মল কুমাৰ চৌধুৰী আৰু আনজন একালত অসম ইঞ্জিনীয়াৰিং কলেজৰ গণিতৰ শিক্ষক আৰু পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰীডাৰ ড° উপেন্দ্ৰ নাথ মিশ্ৰ। ড° চৌধুৰীৰ পুথিখনৰ নাম ‘সময় প্ৰবাহত জীৱনৰ গতি।’ নলবাৰীৰ পকোৱাৰ এটা সম্ভ্ৰান্ত কায়স্থ পৰিয়ালত জন্মা চৌধুৰীৰ ককাক কালিচৰণ চৌধুৰী আছিল এজন বিখ্যাত স্বাধীনতা সংগ্ৰামী আৰু পিতৃ অম্বিকাচৰণ চৌধুৰী প্ৰথমে নলবাৰী গৰ্ডন হাইস্কুলৰ শিক্ষক, পাছলৈ সহকাৰী স্কুল পৰিদৰ্শক। চৌধুৰীৰ দেউতাক ধুবুৰীলৈ বদলি হলত তেওঁ গোৱালপাৰাত মোমায়েকৰ ঘৰত থাকি ছমাহমান পৃথ্বিৰাজ চৰকাৰী বালক হাইস্কুলত পঢ়িবলগীয়া হৈছিল। অৱশ্যে পূজাৰ বন্ধৰ পাছত তেওঁ পঞ্চম শ্ৰেণীত নামভৰ্তি কৰে ধুবুৰী চৰকাৰী বালক হাইস্কুলত। শিক্ষকসকলে সাধাৰণতে কোৱা ভাষা অনুসৰি শ্ৰেণী কোঠাতো সেই ভাষাৰেই শিকাইছিল। ধুবুৰীৰ



একাংশ লোকে স্বাধীনতাৰ দিনটো উদ্‌যাপন কৰা নাছিল— তেওঁলোক আছিল নেতাজী সুভাষ চন্দ্ৰ বসুৰ অনুগামী লোক। সেই সময়ত ধুবুৰীত উপায়ুক্ত আছিল খনীন্দ্ৰ চন্দ্ৰ বৰুৱা। নিৰ্মলে অষ্টম শ্ৰেণী পোৱাৰ সময়ত পিতৃ বদলি হ’ল গুৱাহাটীলৈ। তেতিয়া তেওঁক নৱ-প্ৰতিষ্ঠিত ডনবস্কো হাইস্কুলত ১৯৪৯ত নাম লগাই

**জয়কান্ত শৰ্মা**

দিয়ে। স্কুলখনৰ প্ৰধান শিক্ষক আছিল যশস্বী শিক্ষাবিদ হৰমোহন দাস। প্ৰথম বছৰটো নিৰ্মল থাকিল পেহাকৰ ঘৰত। পিছৰ দুবছৰ নিৰ্মলৰ গোটেই পৰিয়ালটোৱে আছিল হেপিভিলাৰ এটা সৰু ভাড়াঘৰত। ১৯৫২ত গণিত, সংস্কৃত আৰু ভূগোলত লেটাৰ নম্বৰ লৈ তেওঁ মেট্ৰিকত ষষ্ঠ স্থান অধিকাৰ কৰে। পাছত কটন কলেজৰ পৰা আইএছচি পৰীক্ষাতো দশম স্থান লাভ কৰে। পৰৱৰ্তী কালত কটনৰ ছাত্ৰ ইউনিয়নৰ সম্পাদক হৈ বিএছচি অধ্যয়নত কিছু বিঘিনি হয় আৰু ফলস্বৰূপে পদাৰ্থ বিজ্ঞানৰ অনাৰ্ছত প্ৰথম শ্ৰেণী নাপালে। পাছত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত চিভিল ইঞ্জিনীয়াৰিঙত নাম লগাই তাৰ পৰা ১৯৬০ত প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান লাভ কৰি জালুকবাৰীৰ অসম ইঞ্জিনীয়াৰিং কলেজত শিক্ষকতা আৰম্ভ কৰে যদিও তিনিবছৰ পাছত অসম চৰকাৰৰ বৃত্তি লাভ কৰি উচ্চ শিক্ষাৰ অৰ্থে ইংলণ্ডলৈ যায়। ইংলণ্ডৰ ‘মানচেষ্টাৰ ইনষ্টিটিউট অৱ ছায়েন্স এণ্ড টেকন’লজী ষ্ট্ৰাকচাৰেল ইঞ্জিনীয়াৰিং বিষয়ত দুবছৰীয়া স্নাতকোত্তৰ অধ্যয়ন কালত ‘এমএছচিটেক’ৰ বাবে তেওঁৰ গৱেষণাৰ প্ৰথম গাইড আছিল তাৰেই শিক্ষক ৰবাৰ্ট বেনান্দ লুই স্মিথ, পাছলৈ অৱশ্যে গাইড বদলিছিল। পৰৱৰ্তী কালত ‘ডাইনামিক বিহেভিয়াৰ অৱ ষ্ট্ৰাকচাৰ’ বিষয়ত ডক্টৰেট ডিগ্ৰী লৈ অসমলৈ ঘূৰি আহে আৰু ইঞ্জিনীয়াৰিং কলেজত পুনৰ যোগদান কৰে। ১৯৮২ত তেওঁ শিলচৰ আঞ্চলিক ইঞ্জিনীয়াৰিং কলেজৰ অধ্যক্ষ আৰু চাৰিবছৰ পাছত অসমৰ কাৰিকৰী শিক্ষা সঞ্চালক হয়। সেই সময়ৰ শিক্ষামন্ত্ৰী বৃন্দাবন গোস্বামী আৰু শিক্ষা আয়ুক্ত কমলেশ্বৰ বৰা আৰু অশোক শইকীয়াৰ প্ৰগতিশীল চিন্তাধাৰাৰো চৌধুৰীয়ে শলাগ লৈছে।

অধ্যাপক ড° উপেন্দ্ৰ নাথ মিশ্ৰৰ আত্মজীৱনীখনৰ নাম ‘বালিঘড়ী ঃ প্ৰাপ্তি আৰু অপ্ৰাপ্তিৰ এক জীৱন গাথা’। নলবাৰীৰ কৈঠালকুছিত জন্মগ্ৰহণ কৰা মিশ্ৰ আছিল এজন নৈষ্ঠিক দুখীয়া দশকৰ্মী ব্ৰাহ্মণৰ সন্তান। সেয়ে পুত্ৰ উপেন্দ্ৰই ১৯৫৩ত কৈঠালকুছি হাইস্কুলৰ পৰা গণিত আৰু সংস্কৃতত লেটাৰসহ প্ৰথম বিভাগত মেট্ৰিক উত্তীৰ্ণ হোৱাৰ পাছতো তেওঁক উচ্চাশিক্ষাৰ্থে কলেজলৈ নপঠিয়াই যজমানিত লগোৱাৰ কথাহে ভাবিছিল। অৱশ্যে বৰ কষ্ট কৰি উপেন্দ্ৰই কটন কলেজত আইএছচিত নাম লগাইছিল আৰু এদিন ডিষ্টিংছনসহ বিএছচি উত্তীৰ্ণ হৈছিল। পৰীক্ষাৰ ফলাফল পোৱাৰ পাছতে বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষক হিচাপে নিযুক্তি পোৱাৰ পাছতহে ঘৰখনলৈ প্ৰাণসঞ্চাৰ হ’ল। এটা সময়ত ডেপুটেছনত বিশ্ববিদ্যালয়লৈ গণিতত এমএছচি পঢ়িবলৈ আহি প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ হয়। তাৰ পাছত অসম ইঞ্জিনীয়াৰিং কলেজত গণিতৰ শিক্ষক। ১৯৭৫ত খড়গপুৰৰ আইআইটিত গণিতৰ গৱেষণাৰ বাবে সুবিধা পাই তালৈ যোৱাৰ পৰা তাত থকা দিনকেইটাৰ সুন্দৰ বিৱৰণি দিছে মিশ্ৰই। বিভিন্নজন গৱেষক আৰু অধ্যাপকৰ জীৱনশৈলীৰ আলোচনাই স্বাভাৱিকতে লেখাটো সৰস কৰি তুলিছে। তাৰ মাজত জৰুৰী অৱস্থা কালৰ তিৰ্যক ইংগিতো আছে। ডক্টৰেট ডিগ্ৰী লৈ পুনৰ ইঞ্জিনীয়াৰিং কলেজতে যোগদান কৰিছিল যদিও ড° মিশ্ৰই পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত সোমায়। সেই সময়ছোৱাৰ কথা ক’তো উল্লেখ নকৰা কাৰণে লেখাটোৱে পূৰ্ণতা নাপালে। তেনেদৰে কটনত পঢ়াকালৰ আৰু ইঞ্জিনীয়াৰিং কলেজত কাম কৰা সময়ছোৱাৰ বিৱৰণিও নাই। অৱশ্যে ৫০ৰ দশকৰ নলবাৰীৰ গাঁৱলীয়া অঞ্চলৰ দাৰিদ্ৰ্য ক্লিষ্ট ছবিখন ফুটাই তুলিব পাৰিছে।

## যন্ত্ৰণা আৰু বিষাদবোধৰ সমন্বয়

# এজাৰ ফুলা গান



**যুগে** যুগে ৰূপান্তৰৰ মাজেদি ন ৰূপ লয় কবিতাই। কবিয়ে বহুসময়ত কবিতা লিখিয়ে পাহৰে জীৱনৰ দুখ আৰু ব্যৰ্থতা। আধুনিক কবি এজন অধ্যয়নপুষ্ট হোৱা বাবে তেওঁৰ কবিতাত নিজস্ব বিস্তৃত অধ্যয়নেৰে বিধৌত নানা জ্ঞানৰ প্ৰতিফলন ঘটে। নতুন নতুন আংগিক আৰু ৰীতিৰ সন্ধানত পৰীক্ষা-নিৰীক্ষাত তেওঁ প্ৰবৃত্ত হয়। তেওঁ বিচাৰে জীৱনৰ অন্য তাৎপৰ্য। ভাব, ভাষা, অনুষংগৰে এনে তাৎপৰ্যৰে সন্ধান কৰিছে কবি পংকজ কুমাৰ দত্তই তেওঁৰ কাব্যগ্ৰন্থ ‘এজাৰ ফুলা গান’ত। একুৰি পাঁচটা কবিতা আৰু

**দেৱাশিস প্ৰতাপ**

এটা কথা কবিতাৰে (মোৰ পৰা তোমালৈ) কবিয়ে জীৱনৰ প্ৰতি থকা সুগভীৰ প্ৰেমৰ উপলব্ধিক স্বকীয় নিৰ্মাণলব্ধ চিত্ৰকল্প আৰু ব্যঞ্জনাধৰ্মী প্ৰকাশ ভংগীৰে সাৱলীলভাৱে প্ৰকাশ কৰিছে। পংকজ কুমাৰ দত্ত নতুন কবি নহয়। অসম আন্দোলনৰ উত্তেজনা আৰু তাৰ পৰৱৰ্তী সময়ছোৱাত এচাম তৰুণ কবিয়ে কবিতাৰ আত্মাত মনুষ্যত্বক ৰোপণ কৰাৰ বাবে অৱতীৰ্ণ হৈছিল যোদ্ধাৰ ভূমিকাত। প্ৰগতিশীলতা আৰু জেদী ৰোমাণ্টিকতাৰে কবিতা ৰচনা কৰা কবিকুলৰ অন্যতম আছিল পংকজ দত্ত। তেওঁৰ কবিতাত যন্ত্ৰণা আৰু বিষাদবোধ কাব্য সৃষ্টিৰ প্ৰধান উৎস।

‘ছাঁ জীৱনভৰ থাকে,’ ‘সপোনৰ শেষ নাই’, ‘মুখাৱৰণ’ প্ৰভৃতি কবিতাই কাব্যপ্ৰেমীক তৃপ্ত কৰে। নিষ্ঠুৰ বাস্তৱৰ সংঘাতপূৰ্ণ ৰূপ মূৰ্ত হৈ উঠিছে ‘বৰ আচৰিত ধৰণে ঘূৰি গৈছে’ শিৰোনামৰ কবিতাটোত। আন এটা উল্লেখযোগ্য কবিতা হৈছে ‘মুখাপিন্ধা সময়।’ বিমূৰ্ত চিত্ৰকল্পৰ প্ৰয়োগ আৰু ব্যঞ্জনাময় ভাষাই কবিতাবোৰক সুখপাঠ্য কৰি তুলিছে। সংকলনখনৰ একেবাৰে শেহত সন্নিৱিষ্ট কবিতাটো হৈছে ‘হকাৰ’। সংবেদী পাঠকে এই সাৰ্থক কবিতাটোৰ মাজেৰে জুখি চাব পাৰে জীৱনৰ কাৰুণ্যক।’ যি জানে যে সি এটা হকাৰ/অসমীয়া অভিধান মেলি কোনোবাই তাক কয় ফেৰিৱালা বুলি/ সি ভালদৰেই জানে যে তাৰ খবৰৰ দাম আছে/ দান নাই মাথোন তাৰ কৰ্তব্যৰ।’ গুৱাহাটীৰ নৱ-জাগৰণ প্ৰকাশন গোষ্ঠীয়ে প্ৰকাশ কৰি উলিওৱা চিত্তাকৰ্ষক প্ৰচ্ছদৰ ১২০ টকা দামৰ কাব্যগ্ৰন্থখনৰ বিষয়ে যশস্বী কবি ৰবীন্দ্ৰ বৰাই লিখিছে—‘যন্ত্ৰণা আৰু বিষাদে কবিৰ মন অশান্ত কৰি তুলিলেও হতাশাত তেওঁৰ কণ্ঠস্বৰ হেৰাই যোৱা নাই। জীৱনবোধ তেওঁৰ কাব্যিক-চেতনাত অহৰহ বিয়পি আছে।’

*ফোন: ৯০৮৫৮০৪২৩৮*

